তৃতীয় অধ্যায়



# মুদ্ৰা আৰু বেংক ব্যৱস্থা (Money and Banking)

মুদ্ৰা হ'ল সাধাৰণভাৱে গ্ৰহণযোগ্য বিনিময়ৰ মাধ্যম। এজন ব্যক্তিৰে গঠিত অৰ্থনীতিত পণ্যৰ বিনিময় হ'ব নোৱাৰে আৰু তেনে অৰ্থনীতিত মুদ্ৰাৰ কোনো ভূমিকা নাথাকে। আনকি কোনো অৰ্থনীতিত এজনতকৈ অধিক ব্যক্তি থাকিলেও মুদ্ৰাৰ কোনো ভূমিকা নাথাকে, যদিহে তেনে ব্যক্তি সমষ্টিয়ে বজাৰত কোনো লেনদেন সম্পাদন নকৰে। উদাহৰণস্বৰূপে নিৰ্জন দ্বীপত বাস কৰা পৰিয়াল এটাৰ বাবে মুদ্ৰাৰ কোনো কাৰ্য নাথাকে। কিন্তু যেতিয়াই কোনো অৰ্থনীতিত এজনতকৈ অধিক ব্যক্তিয়ে বজাৰৰ জৰিয়তে লেনদেনত লিপ্ত হৈ পৰে, তেতিয়াই মুদ্ৰাই বিনিময় মাধ্যম হিচাপে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মুদ্ৰা অবিহনে সংঘটিত অৰ্থনৈতিক বিনিময় ব্যৱস্থাক (Economic exchanges) পণ্যৰ বিনিময় (barter exchange) বোলে। যি কি নহওক, পণ্যৰ বিনিময় প্ৰথাত অভাৱৰ সংগতি থকাটো অসম্ভৱ বুলি ধৰি লোৱা হয়। উদাহৰণস্বৰপে, ধৰি লোৱা হ'ল যে এজন ব্যক্তিৰ ৰাহি ধান আছে আৰু সেইখিনি তেওঁ কাপোৰৰ সৈতে বিনিময় কৰিবলৈ ইচ্ছা কৰিছে। যদি তেওঁ

সৌভাগ্যৱান নহয়, তেন্তে তেনে ব্যক্তি অৰ্থাৎ কাপোৰৰ বিনিময়ত ধান ল'ব বিচৰা ব্যক্তি নাপাবও পাৰে। সমাজত ব্যক্তিৰ সংখ্যা বঢ়াৰ লগে লগে এনেধৰণৰ অসুবিধাই পণ্যৰ বিনিময়ত অধিক প্ৰতিবন্ধকতাহে সৃষ্টি কৰে। সেয়েহে লেনদেনৰ সুচলতাৰ বাবে এবিধ মধ্য পৰ্যায়ৰ দ্ৰব্য বা অন্তৰ্বৰ্তী দ্ৰব্য (Intermediate good) প্ৰয়োজন হয়, যিটো উভয় পক্ষৰ বাবে গ্ৰহণযোগ্য হ'ব। এনেকুৱা সামগ্ৰীবিধকে মুদ্ৰা আখ্যা দিয়া হৈছে। মুদ্ৰাৰ জৰিয়তে বিক্ৰেতাই সামগ্ৰী বিক্ৰী কৰে আৰু সেই মুদ্ৰাৰ জৰিয়তে তেওঁৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰে। বিনিময়ৰ সুচলতা বৃদ্ধি কৰাটো মুদ্ৰাৰ প্ৰধান কাৰ্য যদিও ই অন্যান্য কাৰ্যাৱলীও সমাধান কৰে। আধুনিক অৰ্থনীতিত মুদ্ৰাৰ কাৰ্যাৱলী তলত উল্লেখ কৰা হ'ল।

## 3.1 মুদ্ৰাৰ কাৰ্যাৱলী (Functions of Money)

ওপৰত উল্লেখ কৰাৰ দৰে মুদ্ৰাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্য হ'ল এই যে ই বিনিময়ৰ মাধ্যম (Medium of exchange) হিচাপে কাম কৰে। বিশাল অৰ্থনীতিত বিনিময় প্ৰথা যথেষ্ট অসুবিধাজনক হয়, কাৰণ তেনে অৰ্থনীতিত ব্যক্তিয়ে নিজৰ উদ্বৃত্ত দ্ৰব্য বিনিময় কৰিবলৈ উপযুক্ত ব্যক্তি বিচাৰি যাওঁতে অধিক ব্যয় কৰিবলগীয়াত পৰে।

মুদ্ৰাই আকৌ হিচাপৰ এক সুবিধাজনক একক (Convenient unit of account) হিচাপেও কাম কৰে। সকলো বস্তু আৰু সেৱাৰ মূল্যক মুদ্ৰাগত এককৰ আধাৰত প্ৰকাশ কৰিব পাৰি। যেতিয়া আমি কওঁ যে এটা নিৰ্দিষ্ট আকাৰৰ হাতঘড়ীৰ মূল্য 500 টকা, তেতিয়া ইয়াৰ অৰ্থ এয়ে যে হাতঘড়ীটো 500 একক মুদ্ৰাৰ মাধ্যমত বিনিময় কৰিব পাৰি, য'ত মুদ্ৰাৰ একক হ'ল টকা। যদি এডাল পেঞ্চিলৰ দাম 2 টকা আৰু এটা কলমৰ দাম 10 টকা হয়, তেন্তে আমি পেঞ্চিলৰ মানত কলমৰ আপেক্ষিক দাম (Relative price) গণনা কৰিব পাৰো। অৰ্থাৎ এটা কলমৰ মূল্য $10 \div 2 = 5$ ডাল পেঞ্চিল। সেই একে ধাৰণাকে অন্যান্য সামগ্ৰীৰ লগত মুদ্ৰাৰ মূল্য গণনা কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। ওপৰৰ উদাহৰণটোত এটকাৰ মূল্য $1 \div 2 = 0.5$ ডাল পেঞ্চিল বা $1 \div 10 = 0.1$ টা কলম। সেয়েহে যদি সকলো সামগ্ৰীৰ দাম একেলগে বাঢ়িবলৈ লয় যাক আন ভাষাত সাধাৰণ মূল্যস্তৰ বৃদ্ধি বুলি

কোৱা হয়, তেনে অৱস্থাত মুদ্ৰাৰ মূল্য হ্ৰাস হয়। ইয়াৰ অৰ্থ হ'ল এই যে এতিয়া এক একক মুদ্ৰাই আগতকৈ কম পৰিমাণে বস্তু ক্ৰয় কৰিব। ইয়াকে আমি মুদ্ৰাৰ ক্ৰয় ক্ষমতাৰ অৱনতি (deterioration) বুলি কওঁ।

বিনিময় প্ৰথাৰ কিছুমান অন্য অসুবিধাও আছে। এনে প্ৰথাত ব্যক্তিৰ ৰাহি সম্পদ বা ৰাহি দ্ৰব্য সাঁচি থোৱাৰ ব্যৱস্থা নাই। ধৰি লোৱা হ'ল যে এজন ব্যক্তিৰ কিছু ৰাহি ধান আছে যিখিনি তেওঁ আজিয়ে ভোগ কৰিবলৈ বিচৰা নাই। তেওঁ এই ৰাহি ধানখিনিক সম্পদ বুলি ভাবিব পাৰে, যিখিনিক তেওঁ ভৱিষ্যতে ভোগ কৰিব পাৰিব বা অন্য প্ৰয়োজনীয় সামগ্ৰী লাভৰ বাবে বিক্ৰী কৰিবও পাৰিব। কিন্তু ধান হ'ল ক্ষণস্থায়ী সামগ্ৰী আৰু এটা নিৰ্দিষ্ট সময়ৰ পিচত ইয়াক সঞ্চয় কৰি ৰাখিব নোৱাৰি। আকৌ ইয়াক সঞ্চয় কৰিবলৈ যথেষ্ট ঠাইৰো প্ৰয়োজন। অন্য সামগ্ৰীৰ লগত ইয়াক বিনিময় কৰিবৰ বাবে যথেষ্ট সময় আৰু সম্পদ খৰচ কৰিবলগীয়া হ'ব পাৰে। মুদ্ৰাৰ বিনিময়ত ধান বিক্ৰী হ'লে এই সমস্যা নাথাকে। মুদ্ৰা ক্ষণস্থায়ী নহয় আৰু ইয়াৰ সঞ্চয়ৰ খৰচো অতি কম। মুদ্ৰা যিকোনো সময়তে সকলোৰে গ্ৰহণযোগ্য। সেয়েহে মুদ্ৰাই ব্যক্তিৰ বাবে সঞ্চয়ৰ ভাণ্ডাৰ হিচাপে কাম কৰিব পাৰে, অৰ্থাৎ ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে সম্পদ মুদ্ৰা ৰূপত সঞ্চয় কৰি ৰাখিব পাৰি।

কিন্তু মুদ্ৰা সঞ্চয়ৰ ভাণ্ডাৰ হ'বলৈ হ'লে ইয়াৰ মূল্য স্থিৰ হৈ থাকিব লাগে। বৰ্ধিত মূল্যস্তৰে মুদ্ৰাৰ ক্ৰয় ক্ষমতা হ্ৰাস কৰে আৰু মূল্যস্তৰ হ্ৰাস পালে ইয়াৰ ক্ৰয় ক্ষমতা বাঢ়ে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে মুদ্ৰাৰ বাহিৰে অন্যান্য সম্পত্তি (asset) যেনে— সোণ, মাটি, গৃহ, আনকি ঋণপত্ৰ (bonds)সমূহেও সঞ্চায়ৰ ভাণ্ডাৰ হিচাপে কাম কৰিব পাৰে। কিন্তু এইবোৰ সম্পত্তি অন্য সামগ্ৰীলৈ ৰূপান্তৰ কৰা সহজসাধ্য নহয় আৰু ইহঁতৰ সাৰ্বজনীন গ্ৰহণযোগ্যতা নাই।

## 3.2 মুদ্ৰাৰ চাহিদা (Demand for Money)

সকলোবোৰ সম্পদৰ ভিতৰত মুদ্ৰাই হ'ল আটাইতকৈ তৰল, কিয়নো ই

সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য আৰু সেয়েহে ইয়াক অন্য সামগ্ৰীৰ লগত সহজতে বিনিময় কৰিব পাৰি। আনহাতে ইয়াৰ এটা সুযোগ উৎপাদন ব্যয়ো আছে। যদি কোনো লোকে নগদ মুদ্ৰা নিজৰ হাতত জমা নাৰাখি কোনো বেংকৰ সঞ্চয়ী হিচাপত (Savings account) জমা ৰাখে, তেন্তে সেই মুদ্ৰাৰ ওপৰত তেওঁ সুদ অৰ্জন কৰিব পাৰে। যেতিয়া কোনো লোকে কিমান মুদ্ৰা হাতত ৰাখিব সেই সিদ্ধান্ত ল'বলগীয়া হয়, তেতিয়া তেওঁ তাৰল্যৰ সুবিধা আৰু সুদ পৰিহাৰৰ অসুবিধাৰ বিষয়ে সিদ্ধান্ত ল'ব লাগে। সেয়েহে মানুহৰ নগদ মুদ্ৰা হাতত ৰখাৰ প্ৰতি থকা চাহিদা বা প্ৰৱণতাক মুদ্ৰাৰ তাৰল্যপ্ৰীতি (liquidity preference) বুলি অভিহিত কৰা হয়। দুটা প্ৰধান উদ্দেশ্যৰ বাবে মানুহে প্ৰধানকৈ নগদ মুদ্ৰা হাতত ৰাখিব বিচাৰে।

### 3.2.1 লেনদেনৰ অভিপ্ৰায় (Transaction Motive)

মুদ্ৰা হাতত ৰখাৰ প্ৰধান উদ্দেশ্য হ'ল লেনদেন কাৰ্য পৰিচলনা কৰা। যদি কোনো ব্যক্তিয়ে সাপ্তাহিক আয় অৰ্জন কৰে আৰু প্ৰতি সপ্তাহৰ প্ৰথম দিনটোত দৰমহা পায়, তেন্তে তেনে ব্যক্তিয়ে সপ্তাহৰ বাকী দিনকেইটাৰ বাবে কোনো মুদ্ৰা হাতত ৰাখিব নালাগে আৰু নিয়োগকৰ্তাক প্ৰত্যক্ষভাৱে তেওঁৰ খৰচ নিজৰ সাপ্তাহিক মজুৰিৰ পৰা কৰ্তন কৰিবলৈ আৰু বাকীখিনি মজুৰিৰ ধন তেওঁৰ বেংক একাউণ্ট (Bank account)ত জমা কৰিবলৈ অনুৰোধ কৰিব পাৰে। কিন্তু সাধাৰণতে আমাৰ ব্যয়ৰ আৰ্হি আয়ৰ সৈতে নিমিলে। মানুহে সময়ে সময়েহে আয় অৰ্জন কৰে আৰু সকলো সময়তে বিভিন্নধৰণে খৰচ কৰে। ধৰি লোৱা হ'ল, এজন ব্যক্তিয়ে প্ৰত্যেক মাহৰ প্ৰথম দিনটোতে 100 টকা উপাৰ্জন কৰে আৰু এইখিনি ধন গোটেই মাহটোতে সমভাৱে খৰচ কৰে। সেয়েহে ব্যক্তিজনৰ হাতত মাহৰ আৰম্ভণিতে থকা নগদ ধনৰ পৰিমাণ হ'ল 100 টকা আৰু মাহটোৰ শেষত হয়গৈ 0 টকা। এই ব্যক্তিজনৰ হাতত থকা গড় নগদ মুদ্ৰাৰ পৰিমাণ এনেদৰে গণনা কৰিব পাৰি ঃ (100 টকা + 0 টকা) ÷ 2 = 50 টকা আৰু ইয়াৰ দ্বাৰা তেওঁ প্ৰতি মাহতে 100 টকা পৰিমাণৰ লেনদেন কাৰ্য পৰিচালনা কৰে। সেয়েহে ব্যক্তিজনৰ গড় লেনদেনৰ মুদ্ৰাৰ চাহিদা তেওঁৰ মাহিলি

আয়ৰ আধাৰ সমান হয়। আন কথাত ক'বলৈ হ'লে মাহেকীয়া লেনদেনৰ মূল্যৰ আধা।

এতিয়া ধৰি লোৱা হওক দুজন ব্যক্তিৰ অৰ্থনীতি (a two person economy) এখনৰ কথা, যিখন দুটা অস্তিত্বৰে গঠিত এটা ব্যৱসায়িক প্ৰতিষ্ঠান (এজন ব্যক্তি স্বত্বাধিকাৰী) আৰু এজন শ্ৰমিক। প্ৰত্যেক মাহৰ আৰম্ভণিতে প্ৰতিষ্ঠানখনে শ্ৰমিকজনক 100 টকাৰ মজুৰি দিয়ে। ফলস্বৰূপে শ্ৰমিকজনে সেই অৰ্থনীতিত ব্যৱসায়িক প্ৰতিষ্ঠানখনে উৎপন্ন কৰা দ্ৰব্যত গোটেই মাহব্যাপী তেওঁৰ আয় খৰচ কৰে। সেয়েহে প্ৰত্যেক মাহৰ আৰম্ভণিতে শ্ৰমিকজনৰ নগদ জমা ধনৰ পৰিমাণ 100 টকা আৰু প্ৰতিষ্ঠানখনৰ নগদ জমা ধনৰ পৰিমাণ শূন্য হয়। মাহৰ শেষ দিনটোত ছবিখন ওলোটা হয়গৈ, অৰ্থাৎ প্ৰতিষ্ঠানখনে উৎপাদন কৰা দ্ৰব্য শ্ৰমিকজনৰ ওচৰত বিক্ৰীৰ জৰিয়তে 100 টকা পৰিমাণৰ নগদ ধন সংগ্ৰহ কৰে। প্ৰতিষ্ঠান আৰু শ্ৰমিকজনৰ প্ৰত্যেকৰে গড় নগদ মুদ্ৰাৰ পৰিমাণ 50 টকা। সেয়েহে এনেকুৱা অৰ্থনীতিত লেনদেনৰ মুঠ মুদ্ৰাৰ চাহিদা 100 টকা। এনে অৰ্থনীতিত মাহেকীয়া মুঠ লেনদেনৰ পৰিমাণ 200 টকা, কাৰণ প্ৰতিষ্ঠানখনে শ্ৰমিকজনৰ ওচৰত 100 টকা পৰিমাণৰ সামগ্ৰী বিক্ৰী কৰে আৰু শ্ৰমিকজনে প্ৰতিষ্ঠানখনৰ ওচৰত 100 টকা মূল্যৰ সেৱা বিক্ৰী কৰে। আকৌ এখন অৰ্থনীতিত মুদ্ৰাৰ লেনদেনৰ চাহিদা হ'ল অৰ্থনীতিখনত এক নিৰ্দিষ্ট সময়ৰ ভিতৰত হোৱা মুঠ লেনদেনৰ পৰিমাণৰ ভগ্নাংশ।

সেয়েহে অৰ্থনীতিত মুদ্ৰাৰ লেনদেনৰ চাহিদা হ'ল – $M\frac{d}{t}$ , যাক তলত দিয়াধৰণে প্ৰকশ কৰিব পাৰি

$$M\ \frac{d}{t} = kT \text{ .................................. } (3.1)$$

য'ত T হ'ল এক নিৰ্দিষ্ট সময়ৰ ভিতৰত হোৱা মুঠ লেনদেন (মৌদ্ৰিক)ৰ মূল্য আৰু k হ'ল এটা ধনাত্মক ভগ্নাংশ (Positive fraction)।

ওপৰত বৰ্ণনা কৰা দুজনীয়া অৰ্থনীতিখনক অন্য এক দিশৰ পৰাও চাব পাৰি। ছাত্ৰ-ছাত্ৰীসকলে হয়তো আচৰিত হ'ব যে অৰ্থনীতিয়ে প্ৰতি মাহে 200 টকা মূল্যৰ লেনদেন

কৰিবলৈ 100 টকাহে নগদ মুদ্ৰা ব্যৱহাৰ কৰিছে। এই সাঁথৰটোৰ উত্তৰ তেনেই সহজ, কাৰণ এমাহত প্ৰতিটো টকাই দুবাৰ হাত সলায়। মাহৰ প্ৰথম দিনটোতেই ই মালিকৰ (নিয়োগকৰ্তাৰ) পৰা শ্ৰমিকজনলৈ হস্তান্তৰ হৈছে আৰু কেতিয়াবা ই গোটেই মাহজুৰি শ্ৰমিকজনৰ পৰা মালিকজনলৈ হস্তান্তৰ হৈছে। এইদৰে এক নিৰ্দিষ্ট সময়ৰ ভিতৰত এক একক মুদ্ৰাই কৰা হাত পৰিৱৰ্তনকেই মুদ্ৰাৰ প্ৰচলন বেগ (Velocity of circulation of money) বোলে। ওপৰৰ উদাহৰণটোত মুদ্ৰাৰ প্ৰচলন বেগ হ'ল 2, অৰ্থাৎ ই 1/2 এই ভগ্নাংশৰ ওলোটাটো, নগদ মুদ্ৰা আৰু লেনদেনৰ মূল্যৰ অনুপাত। সেয়েহে আমি (3.1) সমীকৰণটো তলত দিয়াধৰণে লিখিব পাৰো—

$$\frac{1}{k} M \frac{d}{t} = T$$

অথবা $v. M \frac{d}{t} = T$ .................................. (3.2)

য'ত $v = \frac{1}{k}$ হ'ল প্ৰচলন বেগ। লক্ষণীয় যে ওপৰৰ সমীকৰণটোৰ সোঁহাতৰ ফালটো অৰ্থাৎ T হ'ল প্ৰবাহিত চলক। আনহাতে মুদ্ৰাৰ চাহিদা $M \frac{d}{t}$ হ'ল মুদ্ৰাৰ মজুত (Stock) আৰু ইয়ে হ'ল এক নিৰ্দিষ্ট সময়ত জনসাধাৰণে হাতত ৰাখিবলৈ বিচৰা মুদ্ৰাৰ পৰিমাণ। আকৌ $v$ হ'ল মুদ্ৰাৰ গতিবেগ, যাৰ এটা সময়ৰ বিস্তৃতি (Time dimension) আছে। এক নিৰ্দিষ্ট সময়ত এমাহত বা এবছৰত মুদ্ৰাৰ প্ৰতি একক বা ষ্টক বা মজুতৰ (Stock) পৰিৱৰ্তনকে মুদ্ৰাৰ গতিবেগ বুলি কোৱা হয়। এইদৰে সমীকৰণটোৰ বাওঁফালটোৰে অৰ্ছাৎ $v.M \frac{d}{t}$ এ এক নিৰ্দিষ্ট সময়ৰ ভিতৰত এই মজুতৰ পৰিমাণ সম্পন্ন কৰা মৌদ্ৰিক লেনদেনৰ মুঠ মূল্যৰ জোখ নিৰ্ধাৰণ কৰে। এইখিনিয়ে হ'ল প্ৰবাহিত চলক আৰু সেয়েহে সোঁহাতৰ ফালটোৰ সৈতে ই সমান হয়।

এইখিনিতে উল্লেখযোগ্য যে এখন অৰ্থনীতিৰ মুঠ মুদ্ৰাৰ লেনদেনৰ চাহিদা আৰু এটা নিৰ্দিষ্ট বছৰৰ মুঠ (মৌদ্ৰিক) ঘৰুৱা উৎপাদন (GDP)ৰ মাজত সম্পৰ্ক স্থাপন কৰাটো বিশেষভাৱে প্ৰয়োজনীয়। এখন অৰ্থনীতিত বাৰ্ষিক লেনদেনৰ মুঠ মূল্যই সকলোবোৰ

মধ্যৱৰ্তী দ্ৰব্য আৰু সেৱাৰ লেনদেনক অন্তৰ্ভুক্ত কৰে আৰু ই স্বাভাৱিকতে মুদ্ৰা মৌদ্ৰিক ঘৰুৱা উৎপাদনতকৈ (nominal GDP) বেছি। সি যি কি নহওক, সাধাৰণতে লেনদেনৰ মূল্য আৰু মৌদ্ৰিক মুঠ ঘৰুৱা উৎপাদনৰ মাজত এটা স্থিৰ আৰু ধনাত্মক সম্পৰ্ক আছে। 3.1 সমীকৰণৰ পৰা পাওঁ যে বৰ্ধিত মৌদ্ৰিক মুঠ ঘৰুৱা উৎপাদনে লেনদেনৰ মুঠ মূল্যৰ বৃদ্ধিকে সূচায় আৰু সেয়েহে 3.1 নং সমীকৰণক তলত দিয়াধৰণে সংশোধন কৰিব পাৰি—

$$M\frac{d}{t} = kPY \text{ .......................................... } (3.3)$$

য'ত Y হ'ল মুঠ প্ৰকৃত ঘৰুৱা উৎপাদন GDP আৰু P হ'ল সাধাৰণ দৰ স্তৰ অথবা মুঠ ঘৰুৱা উৎপাদন সংকোচক (deflator)। ওপৰৰ সমীকৰণটোৰ পৰা আমি পাওঁ যে মুদ্ৰাৰ লেনদেনৰ চাহিদা এখন অৰ্থনীতিৰ প্ৰকৃত আয় আৰু ইয়াৰ দৰ স্তৰৰ সৈতে ধনাত্মকভাৱে সম্পৰ্কযুক্ত।

## 3.2.2 লাভৰ কল্পনাপ্ৰসূত অভিপ্ৰায় (The Speculative Motive)

এজন ব্যক্তিয়ে তেওঁৰ সম্পদসমূহ— মাটি, ঘৰ, সোণ, ৰূপ, ঋণপত্ৰ, মুদ্ৰা ইত্যাদি বিভিন্ন ৰূপত ৰাখিব পাৰে। আলোচনাৰ সুবিধাৰ বাবে মুদ্ৰাৰ বাহিৰে আটাইবোৰ সম্পত্তিক ঋণপত্ৰত (bonds) একত্ৰিত কৰা হ'ল। প্ৰকৃততে ঋণপত্ৰ হ'ল এক নিৰ্দিষ্ট সময় অতিবাহিত হোৱাৰ পিচত ভৱিষ্যতে মুদ্ৰা ওভতাই দিয়াৰ প্ৰতিশ্ৰুতি পত্ৰ। এই পত্ৰবোৰ জনসাধাৰণৰ পৰা মুদ্ৰা ধাৰ লোৱাৰ বাবে চৰকাৰে বা ব্যৱসায়িক প্ৰতিষ্ঠানবোৰে প্ৰচলন কৰে আৰু সিহঁত (এইবোৰ) বজাৰত বিক্ৰয়যোগ্য। এতিয়া দুটা সময়ৰ (two-period) ঋণপত্ৰৰ কথা বিবেচনা কৰা হওক। ধৰা হ'ল, এখন ব্যৱসায়িক প্ৰতিষ্ঠানে সৰ্বসাধাৰণৰ পৰা 100 টকা ঋণ ল'ব বিচাৰিছে। ই প্ৰথম বছৰৰ শেষত 10 টকা আৰু দ্বিতীয় বছৰৰ শেষত 100 টকা মূলধনৰ সৈতে আৰু 10 টকা যোগ কৰি (110 টকা) ঘূৰাই দিয়াৰ আশ্বাস থকা ঋণপত্ৰ প্ৰচলন কৰিব। এনেকুৱা ঋণপত্ৰৰ বাহ্যিক (face) মূল্য 100 টকা, পৰিপক্কতাৰ সময় 2 বছৰ আৰু সংযুক্ত টোকা (coupon) মতে নিৰ্ধাৰিত হাৰ হ'ল 10 শতাংশ। ধৰি লোৱা হ'ল যে বেংকৰ

সঞ্চয় আমানত হিচাপৰ সুদৰ হাৰ 5 শতাংশ। স্বাভাৱিকতে ঋণপত্ৰৰ পৰা হোৱা আয় আৰু বেংকৰ সঞ্চয় আমানত হিচাপৰ সুদৰ হাৰৰ মাজত তুলনা হ'ব। এনে অৱস্থাৰ মূল প্ৰশ্নটো হ'ব এনেধৰণৰ যে বেংকত কিমান টকা ৰাখিলে এবছৰৰ শেষত সুদ 10 টকা হ'ব? ধৰি লোৱা হ'ল পৰিমাণটো হ'ল X, সেয়েহে—

$$X\left(1+\frac{5}{100}\right) = 10$$

অথবা $$X = \frac{10}{\left(1+\frac{5}{100}\right)}$$

Xৰ এই পৰিমাণটোক বজাৰ সুদৰ হাৰত বাট্টাকৰণ (discounted) হোৱা 10 টকাৰ বৰ্তমান মূল্য বুলি কোৱা হয়। ঠিক সেইদৰে Y হ'ল মুদ্ৰাৰ পৰিমাণ, যিখিনি যদি বেংকৰ সঞ্চয় হিচাপত জমা ৰখা হয়, তেন্তে দুই বছৰৰ শেষত 110 টকা উপাৰ্জন কৰিব। সেয়েহে ঋণপত্ৰৰ পৰা লাভ কৰা প্ৰবাহৰ বৰ্তমান মূল্য তলত দিয়াধৰণে হোৱা উচিত—

$$PV = X + Y = \frac{10}{\left(1+\frac{5}{100}\right)} + \frac{(10+100)}{\left(1+\frac{5}{100}\right)^2}$$

ওপৰৰ গণনাৰ পৰা পোৱা যায় যে ই প্ৰায় 109.29 টকা হ'ব। ইয়াৰ অৰ্থ হ'ল এই যে যদি কোনো ব্যক্তিয়ে 109.29 টকা বেংকৰ সঞ্চয় হিচাপত জমা ৰাখে, তেনেহ'লে ই তেওঁক ঋণপত্ৰৰ সমান প্ৰতিদান দিব। কিন্তু ঋণপত্ৰ বিক্ৰেতাই মাত্ৰ 100 টকাৰ বাহ্যিক মূল্যতে সমপৰিমাণৰ প্ৰতিদান দি আছে। স্বাভাৱিকতে ঋণপত্ৰ বেংকৰ সঞ্চয় হিচাপতকৈ অধিক আকৰ্ষণীয় আৰু সেয়েহে সৰ্বসাধাৰণে ঋণপত্ৰ কিনিবলৈ হেতা-ওপৰা লগাব। যেতিয়ালৈকে ঋণপত্ৰৰ দাম ইয়াৰ PVৰ সমান নহয়, তেতিয়ালৈকে কিনোতাৰ মাজৰ প্ৰতিযোগিতাই ঋণপত্ৰৰ বাহ্যিক মূল্যতকৈ ইয়াৰ দাম বঢ়াব। যদি দাম PVতকৈ অধিক হয়, তেন্তে ঋণপত্ৰসমূহ বেংকৰ সঞ্চয় হিচাপতকৈ কম আকৰ্ষণীয় হ'ব আৰু সৰ্বসাধাৰণে তাৰ পৰা আঁতৰি আহিব। ঋণপত্ৰসমূহৰ যোগান অধিক হ'ব আৰু ইয়াৰ দাম কমি PVৰ সমান

হ'ব। ইয়াৰ পৰা এইটো স্পষ্ট হ'ল যে প্ৰতিযোগিতামূলক পৰিসম্পদৰ বজাৰ ব্যৱস্থাত ভাৰসাম্য অৱস্থাত ঋণপত্ৰৰ দাম ইয়াৰ বৰ্তমান মূল্য PVৰ সমান হ'বই।

ধৰি লোৱা হ'ল বজাৰত সুদৰ হাৰ 5 শতাংশৰ পৰা 6 শতাংশলৈ বৃদ্ধি হ'ল। এতিয়া বৰ্তমান মূল্য আৰু একেধৰণৰ ঋণপত্ৰৰ দাম হ'ব—

$$\frac{10}{\left(1+\frac{6}{100}\right)} + \frac{(10+10)}{\left(1+\frac{6}{100}\right)^2} = 107.33 \text{ (প্ৰায়)}$$

ইয়াৰ পৰা এইটো প্ৰতিফলিত হ'ল যে ঋণপত্ৰৰ দাম, বজাৰ সুদৰ হাৰৰ সৈতে বিপৰীতভাৱে সম্পৰ্কিত (inversely related)।

এইখিনিতে উল্লেখযোগ্য যে এখন অৰ্থনীতি সম্পৰ্কে ব্যক্তিয়ে লাভ কৰা বেচৰকাৰী তথ্যৰ ভিত্তিত বজাৰ সুদৰ হাৰৰ ভৱিষ্যৎ পৰিৱৰ্তন সম্বন্ধে বিভিন্ন মানুহে বিভিন্নধৰণে প্ৰত্যাশা কৰে। যদি কোনো লোকে ভাবে যে বজাৰ সুদৰ হাৰ পৰিৱৰ্তন হৈ প্ৰতি বছৰে 8 শতাংশ হ'ব পাৰে, তেতিয়া তেওঁ বৰ্তমানৰ 5 শতাংশ সুদ সময়ৰ লগত বহনক্ষম হ'বলৈ তেনেই কম বুলি বিবেচনা কৰিব। ইয়াৰ ফলস্বৰূপে তেওঁ সুদৰ হাৰ বৃদ্ধি আৰু ঋণপত্ৰৰ দাম হ্ৰাস পোৱাটো আশা কৰিব। যদি কোনো লোকৰ হাতত ঋণপত্ৰ থাকে তেতিয়াহ'লে ঋণপত্ৰৰ দাম হ্ৰাসৰ অৰ্থ হ'ব লোকচান। তেনেদৰে ব্যক্তিৰ হাতত থকা সম্পদৰ দাম যদি বজাৰত হঠাৎ কমি যায় তেতিয়াও লোকচান হ'ব। ঋণপত্ৰৰ দাম হ্ৰাসৰ ফলত হোৱা এনেকুৱা লোকচানকে মূলধন লোকচান হোৱা বুলি কোৱা হয়। এনেকুৱা পৰিস্থিতিত ঋণপত্ৰৰ গৰাকীয়ে ঋণপত্ৰ বিক্ৰী কৰি মুদ্ৰা হাতত ৰাখিব বিচাৰিব। ভৱিষ্যতৰ সুদৰ হাৰ আৰু ঋণপত্ৰৰ দামৰ গতিবিধিৰ প্ৰত্যাশাই মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদাৰ উদ্ভৱ কৰে। যেতিয়া সুদৰ হাৰ বজাৰত অধিক বৃদ্ধি পায়, তেতিয়া প্ৰত্যেকেই আশা কৰে যে সুদৰ হাৰ ভৱিষ্যতে হ্ৰাস পাব আৰু এই ধাৰণৰ বশৱৰ্তী হৈ মানুহে মুদ্ৰাক ঋণপত্ৰলৈ ৰূপান্তৰিত কৰে। এনেক্ষেত্ৰত কল্পনাপ্ৰসূত মুদ্ৰাৰ চাহিদা কমি যায়। আনহাতে যেতিয়া সুদৰ হাৰ হ্ৰাস পায়, তেতিয়া

অধিকসংখ্যক লোকে ভাবি লয় যে সুদৰ হাৰ ভৱিষ্যতে বৃদ্ধি পাব পাৰে আৰু যদি সেয়ে হয়, তেতিয়া মূলধনী লোকচান হ'ব বুলি আগতীয়াকৈ ধাৰণা কৰে। সেয়েহে তেওঁলোকে লোকচানৰ হাত সাৰিবৰ বাবে তেওঁলোকৰ হাতত থকা ঋণপত্ৰ মুদ্ৰালৈ পৰিৱৰ্তন কৰিবলৈ প্ৰয়াস কৰে, ফলত বজাৰত মুদ্ৰাৰ চাহিদা বৃদ্ধি পায়। সেয়েহে কল্পনাপ্ৰসূত মুদ্ৰাৰ চাহিদা আৰু সুদৰ হাৰৰ মাজত বিপৰীতধৰ্মী সম্পৰ্ক বিদ্যমান। এক সৰল অভিধাৰণাৰ ভিত্তিত মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা তলত দিয়াধৰণে বৰ্ণনা কৰিব পাৰি—


$$M\,\frac{d}{s} = \frac{r_{max} - r}{r - r_{min}} \quad \text{..............................} \ (3.4)$$

য'ত r হ'ল বজাৰ সুদৰ হাৰ আৰু $r_{max}$ আৰু $r_{min}$ হ'ল সুদৰ হাৰ (r)ৰ উৰ্ধ্বতন আৰু নিম্নতম সীমা আৰু ইহঁত দুয়োটাই ধনাত্মক স্থিৰ সংখ্যা। সমীকৰণ (3.4)ৰ পৰা এইটো স্পষ্ট হয় যে যিমানে সুদৰ হাৰ $r_{max}$ৰ পৰা $r_{min}$লৈ হ্ৰাস পাব, সিমানে $M\frac{d}{s}$ ৰ মূল্য শূন্য (o)ৰ পৰা অসীমলৈ ∞ লৈ বৃদ্ধি পাব।

ওপৰত উল্লেখ কৰি অহাৰ দৰে সুদৰ হাৰক নগদ মুদ্ৰা হাতত ৰখাৰ সুযোগ উৎপাদন ব্যয় বা দাম বুলি ভাবিব পাৰি। যদিহে অৰ্থনীতিত মুদ্ৰাৰ যোগান বাঢ়ে আৰু সৰ্বসাধাৰণে এই অতিৰিক্ত মুদ্ৰাৰ জৰিয়তে ঋণপত্ৰ ক্ৰয় কৰে, তেন্তে ঋণপত্ৰৰ চাহিদা বৃদ্ধি পাব, দাম বাঢ়িব আৰু সুদৰ হাৰ কমিব। আন ভাষাত, দেশত বৰ্ধিত মুদ্ৰাৰ যোগানে নগদ মুদ্ৰা হাতত ৰখাৰ দাম অৰ্থাৎ সুদৰ হাৰ হ্ৰাস কৰিব। ইতিমধ্যে যদিহে বজাৰ সুদৰ হাৰ যথেষ্ট কম হয় আৰু প্ৰত্যেকেই আশা কৰিব যে ই ভৱিষ্যতে বাঢ়িব, তেতিয়া মূলধন ক্ষতিগ্ৰস্ত হ'ব আৰু কোনো লোকেই ঋণপত্ৰ কিনিবলৈ আগবাঢ়ি নাহিব। প্ৰত্যেকেই সম্পদবোৰ নগদ মুদ্ৰা ৰূপত ৰাখিব বিচাৰিব আৰু দেশত যদিহে অতিৰিক্ত মুদ্ৰা প্ৰচলন কৰা হয়, তেন্তে ঋণপত্ৰৰ চাহিদা বৃদ্ধি নহয় আৰু সুদৰ হাৰ সৰ্বনিম্ন হাৰ $r_{min}$ ৰ তললৈ হ্ৰাস নহয়, অৰ্থাৎ লুভীয়া লোকৰ নগদ মুদ্ৰাৰ হাবিয়াহ পূৰ কৰাত ব্যৱহৃত হয়। এনেকুৱা পৰিস্থিতিক তাৰল্য ফান্দ (liquidity trap) বুলি কোৱা হয়। এই অৱস্থাত মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা

ফলন অসীম স্থিতিস্থাপক হয়।

চিত্ৰ নং 3.1ত মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা আনুভূমিক অক্ষত আৰু সুদৰ হাৰ উলম্ব অক্ষত দেখুওৱা হ'ল। যেতিয়া সুদৰ হাৰ $r_{max}$ ৰ সমান ($r = r_{max}$), তেতিয়া মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদাৰ পৰিমাণ শূন্যৰ সমান। এই সুদৰ হাৰ ইমান বেছি যে প্ৰত্যেকেই আশা কৰিব যাতে ই ভৱিষ্যতে হ্ৰাস হয় আৰু সেয়েহে ভৱিষ্যৎ মূলধন লাভ নিশ্চিত হয়। এনেদৰে প্ৰত্যেকেই কল্পনাপ্ৰসূত মুদ্ৰাৰ পৰিমাণ ঋণপত্ৰলৈ ৰূপান্তৰ কৰিব যেতিয়া সুদৰ হাৰ $r_{min}$ সমান ($r = r_{max}$), তেতিয়া অৰ্থনীতিয়ে তাৰল্য ফান্দৰ ভিতৰত থাকে। এনে পৰিস্থিতিত প্ৰত্যেকেই নিশ্চিত যে ভৱিষ্যতে সুদৰ হাৰ বাঢ়িব আৰু ঋণপত্ৰৰ দাম কমিব। গতিকে প্ৰত্যেকেই সম্পদবোৰ মুদ্ৰা ৰূপত ৰাখিব আৰু মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা অসীম হ'ব।



চিত্ৰ নং - 3.1

সুদৰ কল্পনাপ্ৰসূত চাহিদা

সেয়েহে এখন অৰ্থনীতিৰ মুঠ মুদ্ৰাৰ চাহিদা হ'ল মূলতঃ লেনদেনৰ চাহিদা আৰু কল্পনাপ্ৰসূত চাহিদাৰ যোগফল। লেনদেনৰ চাহিদা হ'ল প্ৰকৃত মুঠ ঘৰুৱা উৎপাদন আৰু দৰ স্তৰৰ প্ৰত্যক্ষ সমানুপাতিক। আনহাতে কল্পনাপ্ৰসূত চাহিদা বজাৰ সুদৰ হাৰৰ সৈতে বিপৰীতভাৱে সম্পৰ্কিত। তলত দিয়া সমীকৰণটোৰে এখন অৰ্থনীতিৰ মুঠ চাহিদা চমুকৈ প্ৰকাশ কৰিব পাৰি—

$$M^d = M_t^d + M_s^d$$

অথবা, $$M^d = kPY + \frac{r_{max} - r}{r - r_{min}} \quad \ldots\ldots\ldots\ldots (3.5)$$

## 3.3 মুদ্ৰাৰ যোগান (The Supply of Money)

আধুনিক অৰ্থনীতিত দেশৰ মুদ্ৰা কৰ্তৃপক্ষই প্ৰচলন কৰা ধাতু মুদ্ৰা আৰু কাগজী মুদ্ৰাকে প্ৰধানকৈ মুদ্ৰা আখ্যা দিয়া হয়। ভাৰতবৰ্ষত মুদ্ৰা কৰ্তৃপক্ষ ভাৰতীয় ৰিজাৰ্ভ বেংকে কাগজী মুদ্ৰা প্ৰচলন কৰে। কিন্তু ধাতু মুদ্ৰাবোৰ ভাৰত চৰকাৰেহে প্ৰচলন কৰে। কাগজী মুদ্ৰা আৰু ধাতুমুদ্ৰাৰ উপৰি জনসাধাৰণৰ বাণিজ্যিক বেংকত থকা সঞ্চয়ী অথবা চলিত হিচাপৰ আমানতক মুদ্ৰা হিচাপে ধৰা হয়, যিহেতু এই হিচাপৰ আমানতবোৰৰ লেনদেন কাৰ্য সমাপন কৰিবলৈ চেক্ ব্যৱহাৰ কৰা হয়। এনেকুৱা আমানতক চাহিদা বা দাবী আমানত বোলে, কাৰণ ইহঁতক আমানতকাৰীৰ চাহিদা অনুসৰি বেংকে আদায় দিবলৈ বাধ্য। অন্যান্য আমানতৰ ভিতৰত ম্যাদী আমানত ( fixed deposits)ৰ এটা স্থিৰ পৈণতা (maturity)ৰ সময় থাকে আৰু ইয়াক সময় আমানত (time deposits) বুলি কোৱা হয়।

যদিও এখন 100 টকীয়া নোট দোকানৰ পৰা 100 টকা মূল্যৰ সামগ্ৰী ক্ৰয় কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি, কিন্তু কাকতখনৰ মূল্য তেনেই নগণ্য অৰ্থাৎ 100 টকাতকৈ কম। ঠিক সেইদৰে 5 টকীয়া ধাতু মুদ্ৰা এটাৰ ধাতু মূল্য সম্ভৱতঃ 5 টকাৰ সমান নহয়। সেয়েহে প্ৰশ্ন হয় যে জনসাধাৰণে কিয় বেছি মূল্যৱান সামগ্ৰীবোৰৰ বিনিময়ত এনেকুৱা কাগজী নোট আৰু ধাতু মুদ্ৰা গ্ৰহণ কৰে? মুদ্ৰা কৰ্তৃপক্ষই আৰোপ কৰা প্ৰতিজ্ঞাৰ পৰা কাগজী আৰু ধাতু মুদ্ৰাৰ মূল্য উদ্ভূত হয়। প্ৰতিখন কাগজী নোটতে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্নৰৰ প্ৰতিজ্ঞা লিখা থাকে যে যদি কোনোৱে ভাৰতীয় ৰিজাৰ্ভ বেংকত অথবা যিকোনো বাণিজ্যিক বেংকত কাগজী নোট উপস্থাপন কৰে, তেতিয়াহ'লে ভাৰতীয় ৰিজাৰ্ভ বেংকে ব্যক্তিজনক কাগজখনত মোহৰ মৰা মূল্যৰ সমান ক্ৰয় ক্ষমতা দিবলৈ বাধ্য। ধাতু মুদ্ৰাৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। সেয়েহে কাগজী নোট আৰু ধাতু মুদ্ৰাক আদেশ মুদ্ৰা (flat money) বুলি কোৱা হয়। সিহঁতৰ সোণ বা ৰূপৰ মুদ্ৰাৰ দৰে প্ৰকৃত বা আচল মূল্য নাথাকে। তেনেকুৱা মুদ্ৰাক বিহিত মুদ্ৰা বুলিও কোৱা হয়, কিয়নো সেই মুদ্ৰাক যিকোনো লেনদেন সমাপন কৰাৰ বাবে দেশৰ নাগৰিকসকলে অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু

লেনদেনৰ আহিলা হিচাপে সঞ্চয়ী বা চলিত হিচাপ (accounts)ৰ পৰা দিয়া চেক্ গ্ৰহণ কৰিবলৈ যিকোনো লোকে অস্বীকাৰ কৰিব পাৰে। সেয়েহে চাহিদা (demand) আমানতসমূহ বিহিত মুদ্ৰা নহয়।

### 3.3.1 বৈধ সংজ্ঞা ঃ সংকীৰ্ণ আৰু বিস্তৃত মুদ্ৰা (Legal Definitions : Narrow and Broad Money)

মুদ্ৰাৰ চাহিদাৰ দৰে মুদ্ৰাৰ যোগান হ'ল এটা মজুত চলক (Stock variable)। এটা নিৰ্দিষ্ট সময়ত জনসাধাৰণৰ মাজত প্ৰচলন থকা মুঠ পৰিমাণকে মুদ্ৰাৰ যোগান বোলে। ভাৰতীয় ৰিজাৰ্ভ বেংকে মুদ্ৰাৰ যোগানৰ চাৰিটা বিকল্প জোখ, যেনে— M1, M2, M3 আৰু M4 প্ৰকাশ কৰে। সেইবোৰ তলত দিয়াধৰণে প্ৰকাশ কৰিব পাৰি—

M1 = CU + DD

M2 = M1 + ডাকঘৰ সঞ্চয়ী বেংকৰ সঞ্জয়ী আমানতসমূহ।

M3 = M1 + বাণিজ্যিক বেংকসমূহৰ শুদ্ধ সময় আমানতসমূহ (Time deposit)।

M4 = M3 + ডাকঘৰ সঞ্চয়ী সংগঠনসমূহৰ মুঠ আমানতবোৰ (ৰাষ্ট্ৰীয় সঞ্চয়ী প্ৰমাণপত্ৰ বাদ দি), য'ত CU (Currency) হ'ল জনসাধাৰণৰ হাতত থকা মুদ্ৰা (নোট আৰু ধাতুমুদ্ৰা) আৰু DD (Demand deposits) হ'ল বাণিজ্যিক বেংকসমূহৰ শুদ্ধ চাহিদা আমানত। শুদ্ধ শব্দটোৱে কেৱল বাণিজ্যিক বেংকসমূহত থকা ৰাইজৰ আমানতসমূহকহে বুজায় আৰু মুদ্ৰাৰ যোগানত ই অন্তৰ্ভুক্ত হয়। আন্তঃবেংক (interbank) আমানত, যিটো বাণিজ্যিক বেংকে অন্য বাণিজ্যিক বেংকত জমা ৰাখে, সেইবোৰ মুদ্ৰা যোগানৰ অংশ হিচাপে অন্তৰ্ভুক্ত নহয়।

M1 আৰু M2ক সংকীৰ্ণ মুদ্ৰা বুলি কোৱা হয়। M3 আৰু M4ক বিস্তৃত মুদ্ৰা বুলি কোৱা হয়। এনেবোৰ শ্ৰেণীবন্ধন হ'ল তাৰল্যতাৰ ক্ৰমহ্ৰাসমান ক্ৰম। M1 হ'ল আটাইতকৈ

তৰল আৰু লেনদেনৰ বাবে সহজ; আনহাতে M4 হ'ল সকলোতকৈ কম তৰল। সাধাৰণতে মুদ্ৰাৰ যোগান বুলিলে M3 বুজোৱা হয়। ইয়াক আকৌ মুঠ মৌদ্ৰিক সম্পদ বুলিও জনা যায়।[1]

## 3.3.2 বেংক ব্যৱস্থাৰ দ্বাৰা মুদ্ৰাৰ সৃষ্টি (Money Creation by the Banking Systems)

এই খণ্ডত আমি মুদ্ৰাৰ যোগানৰ নিৰ্ণায়কসমূহ অনুসন্ধান কৰিম। মুদ্ৰাৰ উপাদানসমূহৰ মূল্য, যেনে CU, DDক অথবা কাল আমানতৰ (Time deposits) পৰিৱৰ্তন হ'লে মুদ্ৰাৰ যোগানৰো পৰিৱৰ্তন হ'ব। আমি অৰ্থনীতিত মুদ্ৰা যোগানৰ জোখ হিচাপে মুদ্ৰাৰ সৰল সংজ্ঞা এটা ব্যৱহাৰ কৰিব পাৰো, অৰ্থাৎ M1 = CU + DD। মুদ্ৰা কৰ্তৃপক্ষ, ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু বাণিজ্যিক বেংকসমূহে Mৰ উপাদানবোৰৰ পৰিৱৰ্তন আনিব পাৰে। জনসাধাৰণৰ নগদ মুদ্ৰা হাতত ৰখাৰ পছন্দতা আৰু বেংক আমানতে মুদ্ৰা যোগানত প্ৰভাৱ বিস্তাৰ কৰে। মুদ্ৰা যোগানৰ এই প্ৰভাৱবোৰক তলত দিয়া প্ৰধান অনুপাতবোৰত অন্তৰ্ভুক্ত কৰিব পাৰি—

**প্ৰচলিত মুদ্ৰা আমানত অনুপাত ঃ The Currency Deposit Ratio (cdr)**

প্ৰচলিত মুদ্ৰা আমানত অনুপাত হ'ল জনসাধাৰণে নগদ ৰূপত হাতত ৰখা মুদ্ৰাৰ পৰিমাণ আৰু বেংক আমানতত ৰখা মুদ্ৰাৰ পৰিমাণৰ অনুপাত। প্ৰচলিত মুদ্ৰা আমানত অনুপাত হ'ল (cdr) = CU/DD। যদি এজন ব্যক্তিৰ হাতলৈ এটকা আহে, তেওঁৰ বেংক একাউণ্টত 1/(1+cdr) টকা আৰু হাতত নগদ ৰূপত cdr/(1+cdr) টকা ৰাখিব। ইয়ে জনসাধাৰণৰ তাৰল্যতাৰ পছন্দতা প্ৰকাশ কৰে। এইটো সম্পূৰ্ণ আচৰণগত জোখ, যিটো অন্যান্য বস্তুৰ ক্ষেত্ৰত ঋতুগত ব্যয়ৰ আৰ্হিৰ ওপৰত নিৰ্ভৰশীল। উদাহৰণস্বৰূপে উৎসৱৰ সময়ত cdr বৃদ্ধি পায়, কিয়নো এইখিনি সময়ত জনসাধাৰণে অতিৰিক্ত খৰচ পূৰাবৰ বাবে আমানতবোৰ নগদ মুদ্ৰালৈ ৰূপান্তৰিত কৰে।

[1] M1 আৰু M3ৰ সময়সাপেক্ষ পৰিৱৰ্তনৰ পৰিমাপৰ বাবে পৰিশিষ্ট 3.2 চোৱা।

**সংৰক্ষিত আমানত অনুপাত ঃ The Reserve Deposit Ratio (rdr)**

বেংকে জনসাধাৰণৰ আমানতৰ এটা অংশ সংৰক্ষিত মুদ্ৰা হিচাপে নিজৰ হাতত ৰাখে আৰু বাকীখিনি বিভিন্ন বিনিয়োগমূলক আঁচনিত ঋণ প্ৰদান কৰে। সংৰক্ষিত মুদ্ৰাত দুটা বস্তু নিহিত হৈ থাকে— বেংকসমূহত থকা নগদ জমা মুদ্ৰা (vault) আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকত থকা বাণিজ্যিক বেংকসমূহৰ আমানতসমূহ। বেংকসমূহে এই সংৰক্ষিত মুদ্ৰা আমানতকাৰীৰ মুদ্ৰাৰ চাহিদা পূৰাবলৈ ব্যৱহাৰ কৰে। সংৰক্ষিত আমানত অনুপাত হ'ল বাণিজ্যিক বেংকসমূহে সংৰক্ষণত ৰখা মুঠ আমানতৰ সমানুপাত।

বেংকসমূহৰ বাবে সংৰক্ষিত পুঁজি ৰখাটো ব্যয়বহুল, কাৰণ বেংকসমূহে সেই পৰিমাণৰ মুদ্ৰা সুদ অৰ্জন কৰা বিনিয়োগমূলক আঁচনিৰ বাবে ধাৰলৈ দিব পাৰে। কিন্তু বাণিজ্যিক বেংকসমূহে আমানতকাৰীসকলে বিচৰা মাত্ৰকে তেওঁলোকৰ চাহিদা পূৰণ কৰিবলৈ বিনিয়োগ নকৰাকৈ এক নিৰ্দিষ্ট পৰিমাণৰ সংৰক্ষিত পুঁজি হাতত জমা ৰাখিব লাগে। ভাৰতীয় ৰিজাৰ্ভ বেংকে বাণিজ্যিক বেংকসমূহৰ rdr সুচলভাৱে আগবঢ়াই নিবলৈ বিভিন্ন ধৰণৰ নীতিগত উপায় অৱলম্বন কৰে। এইক্ষেত্ৰত প্ৰথম নীতিগত উপায়টো হ'ল— নগদ সংৰক্ষিত পুঁজিৰ অনুপাত (Cash Reserve Ratio), যাৰ দ্বাৰা বেংকসমূহে ভাৰতীয় ৰিজাৰ্ভ বেংকত ৰাখিবলগীয়া আমানতৰ অংশটো নিৰ্ধাৰণ কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অন্য এটা নীতিগত উপায় হ'ল— বিধিগত তাৰল্যতাৰ অনুপাত (Statutory liquidity ratio), যাৰ বাবে বেংকসমূহৰ মুঠ চাহিদা (দাবী) আৰু সময় আমানতৰ এটা নিৰ্ধাৰিত অংশ নিৰ্দিষ্ট তৰল সম্পদৰ ৰূপত ৰখাটো প্ৰয়োজন হয়। এইবোৰ অনুপাতৰ উপৰি ভাৰতীয় ৰিজাৰ্ভ বেংকে rdrৰ মূল্য নিয়ন্ত্ৰণ কৰিবলৈ এট বিশেষ সুদৰ হাৰ প্ৰয়োগ কৰে, যাক বেংকৰ হাৰ (বেংকৰ সুদৰ হাৰ) বুলি কোৱা হয়। বাণিজ্যিক বেংকসমূহৰ সংৰক্ষিত পুঁজিৰ (জমাৰ) অভাৱ হ'লে সিহঁতে প্ৰচলিত সুদৰ হাৰত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা মুদ্ৰা ধাৰে ল'ব পাৰে। সুদৰ হাৰ বৃদ্ধি হ'লে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা ঋণ লোৱাটো ব্যয়বহুল হয় আৰু ইয়ে বাণিজ্যিক বেংকসমূহক এটা সুচল সংৰক্ষিত আমানত অনুপাত (rdr) বজাই ৰাখিবলৈ উৎসাহ দিয়ে।

## তালিকা 3.1: বাণিজ্যিক বেংকৰ নমুনা উদ্বৃত্ত পত্ৰ

## Sample Balance sheet of a Commercial Bank

| সম্পত্তি (টকাত) | | দেনা (টকাত) |
|---|---|---|
| সংৰক্ষিত পুঁজি (Reserves) | | আমানত 100 |
| নগদ জমা ধন (Vault cash) | 15 | |
| – ভাৰতীয় ৰিজাৰ্ভ বেংকত জমা | 5 | |
| বেংক ঋণ | | |
| – ঋণ (Loans) | 30 | |
| – বিনিয়োগ (Investment) | 50 | |
| rdr = 0.2 | | |

### বাণিজ্যিক বেংকসমূহ (Commercial banks)

বাণিজ্যিক বেংকসমূহে জনসাধাৰণৰ পৰা জমা গ্ৰহণ কৰে আৰু সুদ অৰ্জন কৰা বিনিয়োগ আঁচনিলৈ ঋণ দিয়ে। আমানতকাৰীক বাণিজ্যিক বেংকে যি সুদৰ হাৰ দিয়ে তাক ধাৰ কৰা হাৰ (borrowing rate) বোলে আৰু যি সুদৰ হাৰত বিনিয়োগকাৰীক বেংকে সংৰক্ষিত পুঁজি ধাৰলৈ দিয়ে তাকে ধাৰে দিয়া হাৰ (lending rate) বোলে। এই দুই হাৰৰ পাৰ্থক্যই হ'ল লাভ, যাক বিস্তাৰ বুলি কোৱা হয় আৰু ইয়াক বেংকসমূহে কোনো বিশেষ কামত খৰচ কৰে। আমানতসমূহ বহলভাৱে দুই প্ৰকাৰৰ— (ক) চাহিদা আমানত (demand deposits) জমা কৰোতাৰ চাহিদা অনুযায়ী বেংকসমূহে দিবলৈ বাধ্য, যেনে ঃ চলিত আৰু সঞ্চয়ী হিচাপৰ আমানত, (খ) সময় আমানত (time deposits), যাৰ পৈণতালৈ এটা নিৰ্ধাৰিত সময় থাকে, যেনে স্থায়ী বা ম্যাদী আমানত। বাণিজ্যিক বেংকসমূহে প্ৰধানকৈ ব্যক্তিগত বিনিয়োগকাৰীক ৰাজহুৱা ঋণপত্ৰত (Securities) বিনিয়োগ আৰু অন্যান্য অনুমোদিত ঋণপত্ৰত বিনিয়োগৰ বাবে হ্ৰস্বকালীন ঋণ প্ৰদান কৰে। কোনো ব্যক্তিৰ ঋণ লাভ কৰাৰ যোগ্যতা তেওঁৰ চলিত সম্পত্তি (assets) অথবা তেওঁ প্ৰদান কৰা আনুষংগিক পত্ৰ সংগ্ৰহ (ঋণ পৰিশোধৰ বাবে দিয়া বন্ধকী পত্ৰ)ৰ দ্বাৰা বিচাৰ কৰা হয়।

**তালিকা 3.2 : ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নমুনা উদ্বৃত পত্ৰ ঃ Balance sheet**

| সম্পত্তি (উৎসসমূহ) (টকাত) | | দেনা (ব্যৱহাৰসমূহ) (টকাত) | |
|---|---|---|---|
| সোণ | 10 | প্ৰচলিত মুদ্ৰা | |
| বৈদেশিক মুদ্ৰা | 20 | জনসাধাৰণে ৰখা টকাৰ পৰিমাণ | 200 |
| চৰকাৰী বন্ধকী পত্ৰ (ভাৰত চৰকাৰলৈ ঋণ) | 230 | বাণিজ্যিক বেংকে ৰখা নগদ জমা (Vault) মুদ্ৰা | 10 |
| বাণিজ্যিক বেংকসমূহলৈ দিয়া ঋণ | 5 | ভাৰতীয় ৰিজাৰ্ভ বেংকত বাণিজ্যিক বেংকসমূহৰ জমাৰ পৰিমাণ | 40 |
| | | ভাৰত চৰকাৰৰ (GOI ট্ৰেজাৰী) জমাসমূহ | 15 |
| মৌখিক ভিত্তি (উৎসসমূহ) | 265 | মৌদ্ৰিক ভিত্তি (ব্যৱহাৰসমূহ) | 265 |

**উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা (High Powered Money)**

দেশৰ মুদ্ৰা কৰ্তৃপক্ষক অৰ্থাৎ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুঠ দেনাকে মৌদ্ৰিক ভিত্তি বা উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা বুলি কোৱা হয়। ই মুঠ নগদ মুদ্ৰা বা প্ৰচলিত মুদ্ৰা (জনসাধাৰণৰ মাজত প্ৰচলন থকা মুদ্ৰা আৰু কাগজৰ নোট আৰু বাণিজ্যিক বেংকসমূহৰ নগদ জমা) আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকত থকা ভাৰত চৰকাৰ আৰু বাণিজ্যিক বেংকসমূহৰ মুঠ জমাৰ দ্বাৰা গঠিত। যদিহে সমাজৰ কোনো লোকে ভাৰতীয় ৰিজাৰ্ভ বেংকত এখন নোট উপস্থাপন কৰে, তেতিয়া ৰিজাৰ্ভ বেংকে সেই নোটখনত মোহৰ মৰা পৰিমাণৰ মূল্য দিবলৈ বাধ্য হয়। ঠিক সেইদৰে আমানতসমূহ আমানতকাৰীৰ চাহিদামতে ভাৰতীয় ৰিজাৰ্ভ বেংকে পৰিশোধ কৰিবলৈ বাধ্য। এই বিষয়সমূহ সৰ্বসাধাৰণ লোক, চৰকাৰ অথবা বাণিজ্যিক বেংকসমূহৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওচৰত থকা দাবী আৰু সেয়েহে ইহঁতক ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দেনা বুলি বিবেচনা কৰা হয়।

এইবোৰ দেনাৰ বিপৰীতে ভাৰতীয় ৰিজাৰ্ভ বেংকে পাওনা আদায় কৰে। এটা সুন্দৰ তথা সৰল উদাহৰণৰ দ্বাৰা এই প্ৰক্ৰিয়াটো সহজতে বুজিব পৰা যায়। ধৰি লোৱা হ'ল, ভাৰতীয় ৰিজাৰ্ভ বেংকে 5 টকা মূল্যৰ সোণ অথবা ডলাৰ ক্ৰয় কৰিলে। ভাৰতীয় ৰিজাৰ্ভ বেংকে নগদ মুদ্ৰা প্ৰচলনৰ দ্বাৰা সোণ বা বৈদেশিক মুদ্ৰাৰ দাম বিক্ৰেতাক দি দিব। এইদৰে অৰ্থনীতিত প্ৰচলন থকা মুদ্ৰাৰ পৰিমাণ 5 টকালৈ বৃদ্ধি পাব আৰু ইয়ে উদ্বৃত্ত পত্ৰ (balance sheet)ৰ দেনাৰ পৰিমাণৰ বৃদ্ধি দেখুৱাব। এইদৰে পোৱা মূল্যক যিটো 5 টকাৰ সমান, তাক উদ্বৃত্ত পত্ৰৰ পাওনাৰ ফালৰ উপযুক্ত শিতানত অন্তৰ্ভুক্ত কৰা হ'ব। ঠিক সেইদৰে ভাৰতীয় ৰিজাৰ্ভ বেংকে ঋণ দলিল পত্ৰ (debt bonds) অথবা চৰকাৰে প্ৰচলন কৰা ঋণপত্ৰসমূহ লাভ কৰে আৰু প্ৰতিদানত নগদ মুদ্ৰা প্ৰচলনৰ দ্বাৰা চৰকাৰক আদায় দিয়ে। একেদৰে এই বেংকে বাণিজ্যিক বেংকসমূহলৈ ঋণ মঞ্জুৰ কৰে।[2]

এতিয়া আমি মৌদ্ৰিক কৰ্তৃপক্ষ, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰা সৃষ্টি, প্ৰক্ৰিয়া বা কৌশল ব্যাখ্যা কৰিম। ধৰি লোৱা হ'ল যে ভাৰতীয় ৰিজাৰ্ভ বেংকে মুদ্ৰাৰ যোগান বঢ়াব বিচাৰিছে। ই তেতিয়া তলত দিয়াধৰণে অৰ্থনীতিত অতিৰিক্ত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা প্ৰচলন কৰিব। এতিয়া আমি ধৰি ল'ব পাৰো যে ভাৰতীয় প্ৰচলন ৰিজাৰ্ভ বেংকে বজাৰৰ পৰা চৰকাৰী ঋণপত্ৰ (দলিল) অথবা H টকা পৰিমাণৰ সোণ ক্ৰয় কৰিলে। এতিয়া ঋণপত্ৰ বিক্ৰেতাক H টকা পৰিমাণৰ চেক্ মঞ্জুৰ কৰিব। আকৌ ধৰি লোৱা হ'ল যে cdr অৰ্থনীতি আৰু rdrৰ মূল্য ক্ৰমান্বয়ে 1 আৰু 0.2। বিক্ৰেতাই A বেংকত তেওঁৰ একাউণ্টত চেক্‌খন ভঙাব আৰু H/2 টকা তেওঁৰ একাউণ্টত জমা ৰাখি H/2 টকা বেংকৰ পৰা উলিয়াই আনি নিজৰ হাতত নগদ মুদ্ৰা হিচাপে ৰাখিব। এনেদৰে সৰ্বসাধাৰণৰ নগদ মুদ্ৰাৰ পৰিমাণ বৃদ্ধি পাব H/2। এই বৰ্ধিত আমানতৰ বাবে A বেংকৰ দেনা H/2 টকা বৃদ্ধি পাব, কিন্তু এই চেকৰ অধিকাৰ লাভৰ জৰিয়তে ইয়াৰ পাওনা (assets)ৰ পৰিমাণো সমভাৱে বৃদ্ধি পাব; যিটো ভাৰতীয় ৰিজাৰ্ভ বেংকত থকা দাবীহে, আন একো নহয়। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দেনা H টকাৰে বৃদ্ধি পাব, যিটো A বেংক আৰু ইয়াৰ মক্কেল (client)ৰ মুঠ দাবীৰ

[2] সময়ৰ লগত মুদ্ৰাৰ ভেটিৰ উৎসৰ পৰিৱৰ্তনৰ পৰিমাপৰ বাবে পৰিশিষ্ট 3.2 চোৱা।

যোগফল আৰু ই বিক্ৰেতাৰ বাবে ক্ৰমান্বয়ে H/2 টকা আৰু H/2 টকা হ'ব। সেয়েহে সংজ্ঞামতে উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা H টকাৰে বৃদ্ধি হ'ব।

মন কৰিবলগীয়া যে এই প্ৰক্ৰিয়াটো ইয়াতে অন্ত নহয়। A বেংকে $0.2\frac{H}{2}$ টকাৰ অতিৰিক্ত আমানতক সংৰক্ষিত মুদ্ৰা হিচাপে ৰাখিব আৰু বাকীখিনি $(1 - 0.2)\frac{H}{2}$ টকা $= 0.8\frac{H}{2}$ টকা অন্যান্য ধাৰ কৰোতাক ধাৰলৈ দিব।[3] ধাৰ লওঁতাই সম্ভৱতঃ এই ঋণ কোনো কোনো বিনিয়োগ আঁচনিত ব্যৱহাৰ কৰিব আৰু মুদ্ৰাখিনি উৎপাদনৰ উপাদানৰ মূল্য প্ৰদানত ব্যৱহাৰ কৰিব। ধৰা হ'ল যে উৎপাদন খণ্ডটোৰ এজন শ্ৰমিকে পাওনা লাভ কৰিলে। তেতিয়া শ্ৰমিকজনে $\frac{0.8H}{4}$ টকা নগদ মুদ্ৰা হিচাপে হাতত ৰাখিব আৰু B বেংকৰ নিজৰ একাউণ্টত $\frac{0.8H}{9}$ টকা জমা ৰাখিব। ফলস্বৰূপে B বেংকে $\frac{0.64H}{4}$ টকাৰ ঋণ আগবঢ়াব। যিয়ে এই টকা লাভ কৰে, তেওঁ $\frac{0.64H}{8}$ টকা নগদ মুদ্ৰা ৰূপত ৰাখিব আৰু $\frac{0.64H}{8}$ টকা অন্য বেংক অৰ্থাৎ Cত জমা ৰাখিব। প্ৰক্ৰিয়াটো অসীমভাৱে (ad infinitum) চলি থাকিব।

তালিকা নং 3.3ৰ পৰা অৰ্থনীতিত পৰ্যায়ক্ৰমে কেনেকৈ মুদ্ৰাৰ যোগানৰ পৰিৱৰ্তন হয় তাক লক্ষ্য কৰিব পাৰি।

**তালিকা 3.3 : গুণক প্ৰক্ৰিয়া ঃ The multiplier process**

| | নগদ মুদ্ৰা | আমানত | মুদ্ৰাৰ যোগান |
|---|---|---|---|
| প্ৰথম চক্ৰ (Round-1) | H/2 | H/2 (A বেংক) | H |
| দ্বিতীয় চক্ৰ (Round-2) | $\frac{0.8H}{4}$ | $\frac{0.8H}{4}$ (B বেংক) | $\frac{0.8H}{2}$ |
| তৃতীয় চক্ৰ (Round-3) | $\frac{0.64H}{8}$ | $\frac{0.64H}{8}$ (C বেংক) | $\frac{0.64H}{2}$ |
| | | | ইত্যাদি |

[3] আমি নিসন্দেহে ধৰি ল'ব পাৰো যে প্ৰচলিত সুদৰ হাৰত বেংকৰ পৰা ঋণ লোৱাৰ চাহিদা অসীম, অৰ্থাৎ বেংকে ইচ্ছা অনুসৰি ঋণ প্ৰদান কৰিব পাৰে।

তালিকা নং 3.3ৰ দ্বিতীয় স্তম্ভই প্ৰত্যেক চক্ৰতে সৰ্বসাধাৰণৰ মাজত হোৱা নগদ মুদ্ৰাৰ বৰ্ধিত মূল্য দেখুৱাইছে। ঠিক সেইদৰে তৃতীয় স্তম্ভই অৰ্থনীতিত হোৱা বেংক আমানতৰ বৰ্ধিত মূল্যৰ জোখ দেখুৱাইছে। শেষৰ স্তম্ভটো হ'ল এই দুই স্তম্ভৰ যোগফল (দ্বিতীয় আৰু তৃতীয়), যিটো সংজ্ঞামতে প্ৰত্যেক চক্ৰতে হোৱা মুদ্ৰাৰ যোগান বৃদ্ধি (সম্ভৱতঃ মুদ্ৰাৰ আটাইতকৈ তৰল আৰু সহজ জোখ অৰ্থাৎ M1)। উল্লেখযোগ্য যে প্ৰতিটো ক্ৰমাগত চক্ৰতে মুদ্ৰাৰ যোগান বৃদ্ধিৰ পৰিমাণ ক্ৰমাগতভাৱে হ্ৰাস পাইছে। সেয়েহে বহুতো চক্ৰ যোৱাৰ পিচত বৃদ্ধিৰ আকাৰ শূন্যৰ পৰা প্ৰকাৰান্তৰে প্ৰভেদ কৰিব নোৱৰা হ'ব আৰু পিচৰ চক্ৰবোৰে ব্যৱহাৰিকভাৱে মুঠ মুদ্ৰাৰ যোগদানত কোনো বৰঙণি যোগাব নোৱাৰিব। এইখিনিতে উল্লেখ কৰিব পাৰি যে মুদ্ৰাৰ যোগানত চক্ৰ ফলবোৰে মুখামুখি হৈ একেফাললৈ অহা প্ৰক্ৰিয়াক বুজায়। মুদ্ৰাৰ মুঠ যোগান বৃদ্ধি পাবলৈ আমি শেষ স্তম্ভত অনিৰ্দিষ্ট জ্যামিতিক প্ৰণালী যোগ দিয়া উচিত।[4]

যেনে— $H + (0.8H)/2 + (0.64H)/4 + \ldots\ldots \infty$

$= H\,[1 + (0.8/2) + (0.8/2)^2 + \ldots\ldots \infty] = H/(1-0.4) = 5H/3$

দেশৰ অৰ্থনীতিত ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰথমতে প্ৰচলন (injected) কৰা উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাতকৈ মুঠ মুদ্ৰাৰ যোগান বৃদ্ধি অধিক হয়। আমি ক'ব পাৰো যে অৰ্থনীতিত মুদ্ৰাগুণক হ'ল মুঠ মুদ্ৰাৰ মজুত আৰু উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা মজুতৰ অনুপাত অৰ্থাৎ M/H। স্বাভাৱিকতে ইয়াৰ মূল্য একতকৈ অধিক।

মুদ্ৰা গুণকৰ মূল্য গণনা কৰিবলৈ আমি সদায় চক্ৰীয় (Round) ফল নাচালেও হয়। ইয়াক কেৱল মুদ্ৰা সৃষ্টিৰ প্ৰক্ৰিয়া প্ৰদৰ্শন কৰিবলৈহে গণ্য কৰা হয়, য'ত বাণিজ্যিক বেংকসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অৱশ্যে গুণক আহৰণৰ বাবে সহজ উপায়ো আছে। সংজ্ঞামতে মুদ্ৰাৰ যোগান, নগদ মুদ্ৰা আৰু আমানতৰ যোগফলৰ সমান।

---

[4] এই প্ৰণালীৰ বিষয়ে চমুকৈ আলোচনাৰ বাবে পৰিশিষ্ট 3.1 চোৱা

$$M = CU + DD = (1 + cdr)\ DD$$

য'ত, $cdr = CU/DD$

ধৰি লোৱা হ'ল, ভাৰতীয় ৰিজাৰ্ভ বেংকত চৰকাৰৰ ট্ৰেজাৰী আমানত শূন্য। এনে অৱস্থাত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা জনসাধাৰণৰ নগদ মুদ্ৰা আৰু বাণিজ্যিক বেংকৰ সংৰক্ষিত মুদ্ৰাৰে গঠিত যিয়ে নগদ জমা মুদ্ৰা (vault cash) আৰু ৰিজাৰ্ভ বেংকত বাণিজ্যিক বেংকৰ আমানতক অন্তৰ্ভুক্ত কৰে।

সেয়েহে $H = CU + R = cdr.DD + rdr.DD = (cdr+rdr)\ DD$


এনেদৰে মুদ্ৰাৰ যোগান আৰু উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ অনুপাতটো হ'ল—

$$\frac{M}{H} = \frac{1 + cdr}{cdr+rdr} > 1, \quad \text{যিহেতু } rdr < 1$$

স্পষ্টভাৱে ক'বলৈ হ'লে এইটোৱে হ'ল মুদ্ৰা গুণকৰ (money multiplier) জোখ।

## 3.3.3 মৌদ্ৰিক নীতিৰ আহিলাসমূহ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংক ঃ Instruments of Monetary Policy and the Reserve Bank of India

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে অৰ্থনীতিত মুঠ মুদ্ৰাৰ মজুতৰ পৰিমাণ (stock) উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ পৰিমাণতকৈ বহুগুণে অধিক। বাণিজ্যিক বেংকসমূহে আমানতৰ এটা অংশ ঋণ দি অথবা বিনিয়োগ কৰি এই অতিৰিক্ত পৰিমাণৰ মুদ্ৰা সৃষ্টি কৰে। তালিকা 3.1ৰ পৰা এইটো স্পষ্ট হয় যে দেশৰ আটাইবোৰ বাণিজ্যিক বেংকৰ মুঠ আমানতৰ পৰিমাণ সিহঁতৰ মুঠ সংৰক্ষণৰ আকাৰতকৈ বহুগুণে বেছি। যদি দেশৰ আটাইবোৰ বাণিজ্যিক বেংকৰ আমানতকাৰীয়ে একে সময়তে আমানতবোৰ ওভতাই পাব বিচাৰে, তেতিয়া বেংকসমূহৰ প্ৰত্যেকজন আমানতকাৰীৰ প্ৰয়োজন পূৰণ কৰিবলৈ বেংকৰ কোনো উপায় নাথাকিব আৰু এইক্ষেত্ৰত বেংকসমূহ অকৃতকাৰ্য হ'ব।




চিত্ৰ 3.2 মুঠ মুদ্ৰাৰ যোগানত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ সম্পৰ্ক

মুদ্ৰাৰ এই আটাইবোৰ প্ৰক্ৰিয়া সচেতন ব্যক্তিৰ বাবে সাধাৰণ জ্ঞান বুলি ক'ব পাৰি। বেংকৰ অপাৰগতাৰ কথা জানিও তেওঁলোকে কিয় তেওঁলোকৰ মুদ্ৰা বেংকত জমা ৰাখে? (বেংক সংৰক্ষণৰ উদং অৱস্থা হ'ল এটা পৰিস্থিতি য'ত প্ৰত্যেকেই বেংক আমানতৰ পৰা মুদ্ৰা উলিয়াই আনিব বিচাৰে।)

এইক্ষেত্ৰত ভাৰতীয় ৰিজাৰ্ভ বেংকে এটা প্ৰধান ভূমিকা পালন কৰে। ওপৰত বৰ্ণনা কৰাৰ দৰে মন্দাৱস্থাত ই বাণিজ্যিক বেংকসমূহৰ ওচৰত জামিনদাৰ (Guarantor) হিচাপে থাকে আৰু বেংকসমূহৰ ঋণ পৰিশোধৰ ক্ষমতা নিশ্চিত কৰিবলৈ ঋণ প্ৰদান কৰে। এই জামিন ব্যৱস্থাই ব্যক্তিগত আমানতকাৰীক নিশ্চিত কৰে যে মন্দা সময়তো বেংকসমূহে তেওঁলোকৰ মুদ্ৰা ওভতাই দিব পাৰে আৰু তাত ভয় বা শংকাৰ কোনো কাৰণ নাই। এনেদৰে বাণিজ্যিক বেংকে সংকট অৱস্থাৰ পৰা পৰিত্ৰাণ পায়। মুদ্ৰা কৰ্তৃপক্ষ বা ৰিজাৰ্ভ বেংকৰ এনে ভূমিকাৰ বাবে ইয়াক শেষ পৰ্যায়ৰ ঋণদাতা (lender of last resort) বুলি জনা যায়।

বাণিজ্যিক বেংকসমূহৰ বেংক হিচাপে কাম কৰাৰ উপৰি ভাৰতীয় ৰিজাৰ্ভ বেংকে ভাৰত চৰকাৰৰ বেংক হিচাপেও কাম কৰে আৰু ই ৰাজ্যিক চৰকাৰসমূহৰো বেংক। এইটো এটা সাধাৰণ ঘটনা যে চৰকাৰে মাজে-সময়ে ঘাটি বাজেটৰ বাবে মুদ্ৰা ছপাবলগীয়াত পৰে, অৰ্থাৎ চৰকাৰে যেতিয়া ইয়াৰ উপাৰ্জিত কৰ ৰাজহৰ পৰা ইয়াৰ খৰচ পূৰাব নোৱাৰে, (উদাহৰণস্বৰূপে চৰকাৰী কৰ্মচাৰীৰ দৰমহা, প্ৰস্তুতকৰ্তাৰ পৰা প্ৰতিৰক্ষাৰ সঁজুলি ক্ৰয় ইত্যাদি) তেতিয়া মুদ্ৰা ছপা কৰে। অৱশ্যে এইদৰে চৰকাৰৰ মুদ্ৰা ছপোৱাৰ কোনো বৈধ ক্ষমতা নাই। সেয়েহে ই ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওচৰত ট্ৰেজাৰী বিল বা চৰকাৰী ঋণপত্ৰ বিক্ৰী কৰি মুদ্ৰা ধাৰ কৰে আৰু ইয়াৰ ফলস্বৰূপে ভাৰতীয় ৰিজাৰ্ভ বেংকে চৰকাৰলৈ মুদ্ৰা যোগান ধৰে। চৰকাৰে তেতিয়া এইখিনি মুদ্ৰাৰে ইয়াৰ খৰচসমূহ পৰিশোধ কৰে। এনেদৰে যোগান ধৰা মুদ্ৰা শেষত সৰ্বসাধাৰণৰ হাতত পৰিবহি (দৰমহাৰ অথবা প্ৰতিৰক্ষা সামগ্ৰী বিক্ৰী আয় ৰূপত, ইত্যাদি) আৰু ই মুদ্ৰাৰ যোগানৰ অংশ হ'ব। এইদৰে চৰকাৰৰ দ্বাৰা ঘাটি বাজেটৰ বাবে বিত্ত যোগান ধৰাকে কেন্দ্ৰীয় বেংকৰ ঋণৰ জৰিয়তে ঘাটি বিত্তায়ন কৰা বুলি কোৱা হয় (Deficit Financing through Central Bank Borrowing)।

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰধান ভূমিকা হ'ল অৰ্থনীতিত মুদ্ৰা যোগান আৰু ঋণৰ পৰিমাণ নিয়ন্ত্ৰক হিচাপে কাৰ্য সম্পাদনা কৰা। ভাৰতীয় ৰিজাৰ্ভ বেংক হ'ল অৰ্থনীতিৰ মংগলৰ হকে মুদ্ৰা নীতি পৰিচালনা কৰাৰ বাবে স্বতন্ত্ৰ গৰাকী। ই অৰ্থনীতিত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ যোগান হ্ৰাস-বৃদ্ধি কৰে আৰু বিনিয়োগকাৰীক ঋণ দিবলৈ বাণিজ্যিক বেংকসমূহক উৎসাহিত অথবা অনুৎসাহিত কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকে মুদ্ৰা নীতি পৰিচালনা কৰিবৰ বাবে যিবোৰ আহিলা ব্যৱহাৰ কৰে সেইবোৰ তলত দিয়াধৰণৰ—

### মুক্ত বজাৰত ঋণপত্ৰৰ ক্ৰয়-বিক্ৰয় (Open Market Operation)

অৰ্থনীতিত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ যোগান নিয়ন্ত্ৰণ কৰিবলৈ ভাৰতীয় ৰিজাৰ্ভ বেংকে সৰ্বসাধাৰণৰ ওচৰত চৰকাৰী ঋণপত্ৰ কিনা-বেচা কৰে। ধৰা হ'ল, ভাৰতীয় ৰিজাৰ্ভ বেংকে ঋণপত্ৰ বজাৰৰ পৰা 100 টকা মূল্যৰ চৰকাৰী ঋণপত্ৰ ক্ৰয় কৰিলে। ই নিজে বহু

বিক্ৰেতালৈ 100 টকাৰ চেক্ প্ৰদান কৰিব। বিক্ৰেতাই তেওঁৰ নিজৰ বেংকত চেক্‌খন জমা দিব আৰু বিক্ৰেতাৰ হিচাপত 100 টকা যোগ দিব। বেংকৰ আমানত 100 টকাহে বৃদ্ধি পাব আৰু ই হ'ল বেংকৰ দেনাৰ পৰিমাণ। অৱশ্যে চেক্‌খন পোৱাৰ পিচত ইয়াৰ পাওনা 100 টকাৰ বৃদ্ধি হ'ব, যিটো ভাৰতীয় ৰিজাৰ্ভ বেংকত দাবী (claim) হিচাপে বিবেচিত হ'ব। বেংকে এই চেক্‌খন ভাৰতীয় ৰিজাৰ্ভ বেংকত জমা দিব আৰু ৰিজাৰ্ভ বেংকৰ হিচাপত 100 টকা হ'ব। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰিবৰ্তিত উদ্বৃত্ত পত্ৰখন (balance sheet) তলৰ তালিকা 3.4ত দেখুওৱা হ'ল।

সংজ্ঞামতে, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুঠ দেনা, অৰ্থনীতিত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ যোগান 100 টকাৰে বৃদ্ধি হ'ল। যদি ভাৰতীয় ৰিজাৰ্ভ বেংকে উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ যোগান হ্ৰাস কৰিব বিচাৰে ই তেতিয়া মাত্ৰ ওলোটা প্ৰক্ৰিয়াৰ সহায়ত মুকলি বজাৰত চৰকাৰী ঋণপত্ৰ বিক্ৰী কৰিব আৰু এনেদৰে মুদ্ৰা ভেটি হ্ৰাস হ'ব।

তালিকা 3.4 ঃ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ উদ্বৃত্ত পত্ৰত মুক্ত বজাৰত ক্ৰয়ৰ প্ৰভাৱ

| সম্পত্তি (উৎসসমূহ) (টকা হিচাপত) | | দেনা (ব্যৱহাৰসমূহ) (টকা হিচাপত) | |
|---|---|---|---|
| অন্যান্য সকলো সম্পত্তি | 0 | প্ৰচলিত মুদ্ৰা (Currency) | 0 |
| চৰকাৰী ঋণপত্ৰ | +100 | ভাৰতীয় ৰিজাৰ্ভ বেংকত | |
| | | বাণিজ্যিক বেংকসমূহৰ আমানত | +100 |
| মৌদ্ৰিক ভেটি (উৎস) | +100 | মৌদ্ৰিক ভেটি (ব্যৱহাৰ) | +100 |

### বেংকৰ হাৰ নীতি (Bank Rate Policy)

ওপৰত উল্লেখ কৰা হৈছে যে ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংকৰ হাৰ (Bank Rate) সাল-সলনিৰ দ্বাৰা বাণিজ্যিক বেংকসমূহৰ সংৰক্ষিত জমা অনুপাতৰ পৰিৱৰ্তন কৰিব পাৰে, যদিহে বেংকসমূহে ৰিজাৰ্ভ বেংকৰ পৰা প্ৰয়োজনবশতঃ ঋণ ল'বলগা হয়। যি সুদৰ হাৰত

বাণিজ্যিক বেংকবিলাকে কেন্দ্ৰীয় বেংকৰ পৰা ঋণ সংগ্ৰহ কৰে, সেই সুদৰ হাৰকেই বেংক হাৰ বা ইংৰাজীত ইয়াক Bank Rate বুলি কোৱা হয়। ৰিজাৰ্ভ বেংকৰ নিম্ন (অথবা উচ্চ) সুদৰ হাৰে বেংকসমূহক আমানতৰ (deposits as reserves) অনুপাত সংৰক্ষণ কম (বা বেছি) ৰাখিবলৈ উৎসাহ দিয়ে, কিয়নো এনে অৱস্থাত ৰিজাৰ্ভ বেংকৰ পৰা ঋণ লোৱাটো আগতকৈ কম (অথবা বেছি) ব্যয়বহুল হয়। ফলস্বৰূপে বেংকসমূহে ধাৰ লওঁতাক অথবা বিনিয়োগকাৰীক সৰহকৈ (অথবা কমকৈ) ঋণ দিবলৈ প্ৰস্তুত হয়। চমুকৈ ক'বলৈ হ'লে ৰিজাৰ্ভ বেংকৰ বেংক হাৰৰ ওপৰত বাণিজ্যিক বেংকৰ ঋণ প্ৰদানৰ পৰিমাণ নিৰ্ভৰ কৰে। গতিকে এইটো সহজে অনুমেয় যে বাণিজ্যিক বেংকৰ ঋণ প্ৰদানৰ জৰিয়তে মুদ্ৰাৰ যোগান হ্ৰাস বা বৃদ্ধি পাব পাৰে। অৰ্থাৎ নিম্ন (অথবা) উচ্চ সুদৰ হাৰে rdr বৃদ্ধি কৰে আৰু লগতে মুদ্ৰাগুণকৰ মূল্য বৃদ্ধিৰো গ্ৰাস কৰে। মুদ্ৰাৰ গুণক হৈছে (1+cdr)/(cdr+rdr)। এইদৰে এক নিৰ্দিষ্ট পৰিমাণৰ উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ যোগান বা Hৰ যোগান বৃদ্ধি হয়।

## প্ৰয়োজনীয় সংৰক্ষণৰ পৰিৱৰ্তন (Varying Reserve Requirements)

নগদ সংৰক্ষণ অনুপাত (Cash Reverse Ratio, CRR) আৰু বিধিগত তাৰল্য অনুপাতে (Statutory Liquidity Ratio, SLR) সংৰক্ষিত আমানতৰ অনুপাত (rdr)ৰ নিৰ্দেশিত পন্থাৰে কাম কৰে। নগদ সংৰক্ষণ অনুপাত অথবা বিধিগত তাৰল্য অনুপাতৰ মূল্যবৃদ্ধিয়ে (বা হ্ৰাসে) সংৰক্ষণ আমানত অনুপাতত (rdr) মুদ্ৰা বৃদ্ধিত (হ্ৰাসত) সহায় কৰে আৰু সেয়েহে ঠিক এনেদৰে অৰ্থনীতিত মুদ্ৰাৰ যোগান আৰু মুদ্ৰা গুণকৰ মূল্য হ্ৰাস (বা বৃদ্ধি) কৰে।

## ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা প্ৰতিবন্ধকতা (Sterilisation by RBI)

ভাৰতীয় ৰিজাৰ্ভ বেংকে বাহ্যিক হেঁচাৰ পৰা অৰ্থনীতিৰ মুদ্ৰাৰ যোগানৰ সুস্থিৰতা ৰক্ষা কৰিবলৈ প্ৰায়ে ইয়াৰ মুদ্ৰা সৃষ্টিৰ সঁজুলিসমূহ ব্যৱহাৰ কৰে। ধৰি লোৱা হ'ল ভাৰতবৰ্ষত ভৱিষ্যতে বিকাশৰ সম্ভাৱনীয়তাৰ বাবে পৃথিৱীৰ বিভিন্ন দেশৰ বিনিয়োগকাৰীয়ে ভাৰতীয় ঋণপত্ৰত বিনিয়োগ কৰাৰ বাবে আগবাঢ়ি আহিছে আৰু ইয়ে ঋণপত্ৰৰ পৰা উচ্চ হাৰৰ

প্ৰতিদান পোৱাৰ সম্ভাৱনা বঢ়ায়। সিহঁতে এই ঋণপত্ৰবোৰ বৈদেশিক মুদ্ৰাৰে ক্ৰয় কৰিব। যিহেতু বৈদেশিক মুদ্ৰাৰে ঘৰুৱা বজাৰত সামগ্ৰী ক্ৰয় কৰিব পৰা নাযায়, সেয়েহে ঋণপত্ৰৰ বিক্ৰেতাসকলে বাণিজ্যিক বেংকত বৈদেশিক মুদ্ৰাবোৰ টকালৈ সলনি কৰি ল'ব আৰু বাণিজ্যিক বেংকে এই বৈদেশিক মুদ্ৰাবোৰ ভাৰতীয় ৰিজাৰ্ভ বেংকত জমা কৰিব আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকত ইয়াৰ আমানত সমপৰিমাণে বৃদ্ধি পাব। এতিয়া প্ৰশ্ন হয় যে এই সম্পূৰ্ণ লেনদেনৰ পৰা কি কি প্ৰকাৰৰ লেনদেন সংঘটিত হ'ল? বাণিজ্যিক বেংকসমূহৰ মুঠ সংৰক্ষণ আৰু আমানত অপৰিবৰ্তিত হৈয়ে থাকিল (ই নিজৰ নগদ মুদ্ৰা (vault cash)ৰে বিক্ৰেতাৰ পৰা বৈদেশিক মুদ্ৰা ক্ৰয় কৰিব আৰু সেয়েহে নগদ মুদ্ৰা কমি যাব, কিন্তু ভাৰতীয় ৰিজাৰ্ভ বেংকত আমানত সমপৰিমাণত বৃদ্ধি পাব— ইয়াৰ সংৰক্ষিত আমানত অপৰিবৰ্তিত থাকিব।) কিন্তু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ স্থিতি পত্ৰত দেনা আৰু পাওনাৰ বৃদ্ধি হ'ব আৰু এই বেংকৰ বৈদেশিক মুদ্ৰাৰ পৰিমাণ বৃদ্ধি পাব। আনহাতে ভাৰতীয় ৰিজাৰ্ভ বেংকত বাণিজ্যিক বেংকসমূহৰ আমানত সমহাৰত বৃদ্ধি হ'ব। কিন্তু ইয়ে উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ মজুত বৃদ্ধিকহে বুজাব, যিটো সংজ্ঞামতে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুঠ দেনাৰ সমান। সেয়েহে মুদ্ৰাগুণকৰ কাৰ্যকৰণৰ ফলত স্বভাৱতে অৰ্থনীতিত মুদ্ৰাৰ যোগান বৃদ্ধি হ'ব।

এই বৰ্ধিত মুদ্ৰাৰ যোগান মুঠতে অৰ্থনীতিৰ বাবে ভাল নহ'বও পাৰে। যদিহে অৰ্থনীতিত উৎপাদিত বস্তু আৰু সেৱাসমূহৰ পৰিমাণ অপৰিবৰ্তিত হৈ থাকে, তেতিয়াহ'লে অতিৰিক্ত মুদ্ৰাই আটাইবোৰ সামগ্ৰীৰ দামহে বৃদ্ধি কৰিব। জনসাধাৰণৰ হাতত অধিক মুদ্ৰা থাকিব, যাৰ জৰিয়তে তেওঁলোকে সামগ্ৰী বজাৰত আগৰ পৰিমাণৰ মজুত কিনিবলৈ হেতা-ওপৰা কৰিব। যিহেতু বহু পৰিমাণৰ মুদ্ৰা আগৰ সমপৰিমাণৰ উৎপাদনত শেষ হৈ যাব, সেয়েহে এই প্ৰক্ৰিয়াটোৱে প্ৰত্যেকবিধ সামগ্ৰীৰ দাম বৃদ্ধিত অৰিহণা যোগাব। সাধাৰণ দৰস্তৰ বৃদ্ধি হ'ব যাক মুদ্ৰাস্ফীতি বুলি কোৱা হয়।

ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰায়ে এনে পৰিস্থিতিৰ বাধা দিবলৈ কিছুমান উপায় অৱলম্বন কৰে। ওপৰৰ উদাহৰণটোত ভাৰতীয় ৰিজাৰ্ভ বেংকে বৈদেশিক মুদ্ৰা প্ৰবাহৰ সমপৰিমাণত

চৰকাৰী ঋণপত্ৰ মুকলি বজাৰত বিক্ৰীৰ কাৰ্যাৱলী হাতত ল'ব আৰু তাৰ দ্বাৰা উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ মজুত আৰু মুঠ মুদ্ৰাৰ যোগান অপৰিবৰ্তিত কৰি ৰাখিব। এনেকৈ ই অৰ্থনীতিক প্ৰতিকূল বাহ্যিক আঘাতৰ (Shocks) সন্মুখত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ এই কাৰ্যকে প্ৰতিবন্ধকতা বোলে।

সেয়েহে মুদ্ৰাৰ যোগান এটা গুৰুত্বপূৰ্ণ সমষ্টিগত চলক। ইয়াৰ ভাৰসাম্য সুদৰ হাৰ, মূল্যস্তৰ আৰু অৰ্থনীতিৰ উৎপাদনৰ পৰিমাণৰ ওপৰত মুঠ প্ৰভাৱ অতিকে গুৰুত্বপূৰ্ণ। এই বিষয়ে আমি পিচৰ অধ্যায়ত আলোচনা কৰিম।

মুদ্ৰা ব্যৱহাৰ নকৰাকৈ দ্ৰব্যৰ পৰিবৰ্তে দ্ৰব্য আহৰণেই হৈছে পণ্য বিনিময় ব্যৱস্থা। অভাৱৰ সংগতিহীনতা হ'ল পণ্য বিনিময়ৰ এক প্ৰধান অসুবিধা। মুদ্ৰাই সাধাৰণভাৱে গ্ৰহণযোগ্য বিনিময়ৰ মাধ্যম হিচাপে কাৰ্য সম্পাদন কৰি বিনিময় সুচল কৰি তুলিছে। এখন আধুনিক অৰ্থনীতিত মানুহে প্ৰধানকৈ লেনদেনৰ অভিপ্ৰায় আৰু কল্পনাপ্ৰসূত অভিপ্ৰায়— এই দুই অভিপ্ৰায়ৰ বাবে মুদ্ৰা হাতত ৰাখে। আনহাতে মুদ্ৰাৰ যোগান— কাগজী মুদ্ৰা, ধাতুমুদ্ৰা, বাণিজ্যিক বেংকসমূহৰ চাহিদা আমানত, সময় আমানত ইত্যাদিৰ দ্বাৰা গঠিত হয়। মুদ্ৰাক ক্ৰমহ্ৰাসমান তাৰল্যৰ ক্ৰম অনুসৰি সংকীৰ্ণ মুদ্ৰা আৰু বিস্তৃত মুদ্ৰা এই দুই ভাগত ভাগ কৰিব পাৰি। ভাৰতবৰ্ষত মুদ্ৰাৰ যোগান ভাৰতীয় ৰিজাৰ্ভ বেংকে নিয়ন্ত্ৰণ কৰে আৰু ই দেশৰ মুদ্ৰা কৰ্তৃপক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে। দেশৰ বাণিজ্যিক বেংকসমূহ, সৰ্বসাধাৰণ ৰাইজ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বিভিন্ন কাৰ্যাৱলীয়ে অৰ্থনীতিত মুদ্ৰাৰ যোগান পৰিৱৰ্তনৰ বাবে দায়ী বুলি গণ্য কৰা হয়। ভাৰতীয় ৰিজাৰ্ভ বেংকে উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ মজুত, বেংক হাৰ (সুদৰ হাৰ) আৰু বাণিজ্যিক বেংকসমূহৰ প্ৰয়োজনীয় সংৰক্ষণ নিয়ন্ত্ৰণৰ দ্বাৰা মুদ্ৰাৰ যোগান নিয়ন্ত্ৰণ কৰে। ই আকৌ অৰ্থনীতিত বাহ্যিক আঘাতৰ সন্মুখত মুদ্ৰাৰ যোগান নিয়ন্ত্ৰণ কৰে।

## মূল ধাৰণাসমূহ (Key Concepts)

(1) Barter Exchange – পণ্য বিনিময়

(2) Money – মুদ্ৰা

(3) Unit of Account – হিচাপৰ একক

(4) Transaction Demand – লেনদেনৰ চাহিদা

(5) Bonds – ঋণপত্ৰ

(6) Rate of Interest – সুদৰ হাৰ

(7) Liquidity Trap – তাৰল্য ফান্দ

(8) Legal Tender – বিহিত মুদ্ৰা

(9) Broad Money – বিস্তৃত মুদ্ৰা

(10) Currency deposit ratio – প্ৰচলিত মুদ্ৰা আমানত অনুপাত

(11 High powered money – উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা

(12) Lender of last resort – শেষ পৰ্যায়ৰ ঋণদাতা

(13) Open Market operation – মুকলি বজাৰত ঋণপত্ৰৰ ক্ৰয়-বিক্ৰয়

(14) Cash Reserve Ratio (CRR) – নগদ সংৰক্ষিত পুঁজিৰ অনুপাত

(15) Sterilisation – প্ৰতিবন্ধকতা

(16) Double coincidence of wants – অভাৱৰ সংগতিহীনতা

(17) Medium of exchange – বিনিময়ৰ মাধ্যম

(18) Store of value – মূল্যৰ ভঁৰাল

(19) Speculative demand – লাভৰ কল্পনাপ্ৰসূত চাহিদা

(20) Present value – বৰ্তমানৰ মূল্য

(21) Capital gain or loss – মূলধনী লাভ বা লোকচান

(22) Fiat money – আদেশ মুদ্ৰা

(23) Narrow money – সংকীৰ্ণ মুদ্ৰা

(24) Aggregate monetary resources – মুঠ মুদ্ৰাগত সম্পদ

(25) Reserve Deposit Ratio – সংৰক্ষিত আমানত অনুপাত

(26) Money multiplier – মুদ্ৰাগুণক

(27) Deficit financing through central bank borrowing – কেন্দ্ৰীয় বেংকৰ ঋণৰ জৰিয়তে কৰা ঘাটি বিত্তায়ন

(28) Bank Rate – বেংকৰ হাৰ

(29) Statutory Liquidity Ratio (SLR) – বিধিগত তাৰল্য অনুপাত

## অনুশীলনী (Excercises)

(1) বিনিময় প্ৰথা কি? বিনিময় প্ৰথাৰ অসুবিধাবোৰ কি কি?

(2) মুদ্ৰাৰ প্ৰধান কাৰ্যাৱলীবোৰ কি কি? মুদ্ৰাই কেনেকৈ বিনিময় প্ৰথাৰ অসুবিধাবোৰ আঁতৰ কৰিলে?

(3) মুদ্ৰাৰ লেনদেনৰ চাহিদা কি? ই কেনেকৈ এছোৱা নিৰ্দিষ্ট সময়ৰ ভিতৰত লেনদেনৰ মূল্যৰ সৈতে জড়িত?

(4) ধৰা হ'ল এখন ঋণপত্ৰই অন্তৰ্ৱৰ্তীকালীন প্ৰতিদান নোহোৱাকৈ দুবছৰৰ অন্তত 500 টকা ওভতাই দিব। যদি বছৰি সুদৰ হাৰ 5% হয়, তেতিয়াহ'লে ঋণপত্ৰখনৰ দাম কিমান হ'ব?

(5) মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা সুদৰ হাৰৰ সৈতে বিপৰীতভাৱে জড়িত কিয়?

(6) তাৰল্য ফান্দ কি?

(7) ভাৰতবৰ্ষত মুদ্ৰা যোগানৰ বিকল্প সংজ্ঞাবোৰ কি কি?

(8) বিহিত মুদ্ৰা কাক বোলে? আদেশ মুদ্ৰা কি?

(9) উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা কি?

(10) বাণিজ্যিক বেংকৰ কাৰ্যাৱলী ব্যাখ্যা কৰা।

(11) মুদ্ৰাগুণক কি? তুমি ইয়াৰ মূল্য কেনেকৈ নিৰ্ধাৰণ কৰিবা? মুদ্ৰাগুণকৰ মূল্য নিৰ্ধাৰণত কি কি অনুপাতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে?

(12) ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মৌদ্ৰিক নীতিৰ আহিলাসমূহ কি কি? বাহ্যিক আঘাতৰ সন্মুখত ভাৰতীয় ৰিজাৰ্ভ বেংকে কেনে মুদ্ৰাৰ যোগান সুস্থিৰ কৰে?

(13) অৰ্থনীতিত বাণিজ্যিক বেংকেই মুদ্ৰাৰ স্ৰষ্টা। তুমি এই উক্তিটো গ্ৰহণ কৰা নে?

(14) ভাৰতীয় ৰিজাৰ্ভ বেংকক কিয় 'শেষ পৰ্যায়ৰ ঋণদাতা' (lender of last resort) বুলি কোৱা হয়?

## ওপৰঞ্চি অধ্যয়নৰ পৰামৰ্শ (Suggested Readings)

(1) Dornbusch, R and S, Fischer, 1990, Macro-economics (fifth edition), pages 345-427, McGraw Hill, Paris.

(2) Branson. W.H., 1992, Macro-economic Theory and Policy, (second edition), pages 243-280, Harper Collins Publishers India Pvt. Ltd., New Delhi.

(3) Sikdar. S., 2006, Principles of Macro-economics, pages 77-89, Oxford University Press, New Delhi.

## পৰিশিষ্ট ঃ 3.1

**অসীম গুণোত্তৰ শ্ৰেণীৰ যোগফল (The sum of infinite geometric series)**

তলত দিয়াধৰণে অসীম গুণোত্তৰ শ্ৰেণীৰ যোগফল উলিয়াবলৈ চেষ্টা কৰা হৈছে।

$S = a + a.r + a.r^2 + a.r^3 + \ldots\ldots\ldots\ldots\ldots\ldots + a.r^{n\ldots} \ldots\ldots\ldots \infty$

য'ত a আৰু r হ'ল প্ৰকৃত সংখ্যা আৰু 0<r<1। ওপৰৰ সমীকৰণটোক rৰে পূৰণ কৰি পাওঁ— $r.S = a.r + a.r^2 + a.r^3 + \ldots\ldots\ldots\ldots + a.r^{n+1} \ldots\ldots\ldots \infty$

এতিয়া দ্বিতীয় সমীকৰণটো প্ৰথম সমীকৰণৰ পৰা বিয়োগ কৰি পাওঁ—

$S - r.S = a$

নতুবা, $\frac{(1-r)}{S} = a$

অৰ্থাৎ $S = \frac{a}{1-r}$

মুদ্ৰাগুণক আহৰণৰ বাবে ব্যৱহৃত উদাহৰণটোত $a = 1$ আৰু $r = 0.4$ বহুৱালে

অসীম শ্ৰেণীৰ মূল্য হ'ব— $\frac{1}{1-0.4} = 5/3$

## পৰিশিষ্ট ঃ 3.2

## ভাৰতবৰ্ষত মুদ্ৰাৰ যোগান

তালিকা 3.5 ঃ এক নিৰ্দিষ্ট সময়ৰ ভিতৰত M1 আৰু M3ত হোৱা পৰিৱৰ্তন

| বৰ্ষ | M1 | M2 |
|---|---|---|
| 1989-90 | 81,060 | 2,30,950 |
| 1990-91 | 92,892 | 2,65,828 |
| 1991-92 | 1,14,406 | 3,17,049 |
| 1992-93 | 1,24,066 | 3,64,016 |
| 1993-94 | 1,50,778 | 4,31,084 |
| 1994-95 | 1,92,257 | 5,27,496 |
| 1995-96 | 2,14,844 | 5,99,191 |
| 1996-97 | 2,40,615 | 6,96,012 |
| 1997-98 | 2,67,844 | 8,21,332 |
| 1998-99 | 3,09,128 | 9,81,020 |
| 1999-00 | 3,41,796 | 11,24,174 |
| 2000-01 | 3,79,450 | 13,13,220 |
| 2001-02 | 4,22,843 | 14,98,355 |
| 2002-03 | 4,72,827 | 17,25,222 |

**উৎস ঃ** *S. Sikdar, Principles of Macro-economic, OUP, 206, Unit - Rs crore.*

দুয়োটা স্তৰৰ মাজত থকা মূল্যৰ পাৰ্থক্যক বাণিজ্যিক বেংকসমূহে ৰখা কাল আমানতক আৰোপ কৰিব পাৰি।

## পৰিশিষ্ট ঃ 3.3

তালিকা 3.6 ঃ মৌদ্ৰিক ভেটি পৰিৱৰ্তনৰ উৎসসমূহ

| বৰ্ষ | শতকৰা হাৰত পৰিৱৰ্তন বুজোৱা হৈছে | | |
|---|---|---|---|
| | GOI লৈ দিয়া ঋণ | বেংকলৈ দিয়া ঋণ | বৈদেশিক পৰিসম্পদ |
| 1984-90 | 105.50 | 13.60 | 7.60 |
| 1991-92 | 44.00 | – 34.00 | 92.50 |
| 1992-93 | 38.80 | 32.72 | 33.30 |
| 1993-94 | 3.10 | 14.90 | 103.90 |
| 1994-95 | 7.10 | 26.30 | 76.10 |
| 1995-96 | 79.30 | 34.90 | – 2.50 |
| 1996-97 | 50.10 | – 275.40 | 366.90 |
| 1997-98 | 41.80 | 7.70 | 80.30 |
| 1998-99 | 52.40 | 30.80 | 66.60 |
| 1999-00 | – 20.20 | 31.00 | 131.80 |
| 2000-01 | 24.70 | – 25.50` | 137.50 |
| 2001-02 | 1.70 | – 27.70 | 193.50 |

**উৎস ঃ** *S. Sikdar, Principles of Macro-economics, OUP, 2006*

উল্লেখযোগ্য যে যেতিয়া ভাৰতীয় অৰ্থনীতিলৈ বৈদেশিক পৰিসম্পত্তি (Foreign assets)ৰ অন্তঃপ্ৰবাহ বাঢ়ি যায়, তেতিয়া ভাৰতীয় ৰিজাৰ্ভ বেংকে চৰকাৰলৈ ঘৰুৱা ঋণ প্ৰদানত কঠোৰতা অৱলম্বন কৰে আৰু বাণিজ্যিক বেংকসমূহে ঋণ বন্ধকৰণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে।